অধ্যায় ৮ ঃ ধাৰাবাহিক অৱকলন

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য
8.2 পৰিচয়
8.3 কেইটামান প্ৰামাণিক ফলনৰ nতম অৱকলজ
8.4 দুটা ফলনৰ পূৰণফলৰ nতম অৱকলজ সম্বন্ধীয় লাইবনিৎজৰ উপপাদ্য
8.5 অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
8.6 অগ্ৰগতিৰ খতিয়ান
8.7 অধিক জানিবলৈ
8.8 আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- জানিবলৈ সমৰ্থ হ'ব যে ফলন আৰু সিহঁতৰ বিভিন্ন ক্ৰমৰ অৱকলজবোৰ নিজ নিজ আদি ক্ষেত্ৰত স্থিত হয়
- কিছুমান প্ৰামাণিক ফলনৰ nতম অৱকলজ উলিয়াব পাৰিব
- ঈপ্সিত ক্ৰমলৈ দুটা ফলনৰ পূৰণফল অৱকলন কৰিব পাৰিব।

৮.২ পৰিচয়

এটা অৱকলনীয় ফলন f(x)ৰ অৱকলিত ফলনো অৱকলনীয় ফলন হ'ব পাৰে। এই ক্ষেত্ৰত আমি কোনো চলক বিন্দু x-ত $f'(x)$ৰ অৱকলজ উলিয়াব পাৰোঁ। এই অৱকলজক $f''(x)$ এৰে বুজোৱা হয় আৰু ইয়াক f(x)ৰ দ্বিতীয় অৱকলজ বুলি কোৱা হয়। গতিকে $f''(x)$ হ'ল f(x)ৰ অৱকলজৰ অৱকলজ। যদি f(x)ক yৰে বুজোৱা হয়, তেনেহ'লে $f''(x)$ক $\frac{d^2y}{dx^2}$ বা y_2ৰে বুজোৱা হয়।

আকৌ যদি f(x)ৰ দ্বিতীয় অৱকলজো এটা অৱকলনীয় ফলন হয়, তেতিয়া আমি $f''(x)$ক আকৌ অৱকলন কৰিব পাৰিম। ইয়াৰ পৰা আমি তৃতীয় অৱকলজ পাম। ইয়াক $f'''(x)$ বা $\frac{d^3y}{dx^3}$ বা y_3 বা $f^{(3)}(x)$ৰে বুজোৱা হয়।

এই প্ৰক্ৰিয়াটো চলাই যাব পাৰি যদিহে অৱকলজটো প্ৰত্যেক ক্ষেত্ৰতে অৱকলনীয় হয়। সাধাৰণভাৱে f(x)ৰ nতম অৱকলজক $\frac{d^ny}{dx^n}$ বা $f^n(x)$ বা y_nৰে বুজোৱা হয়।

এটা ফলন f(x)ক এটা অন্তৰালত n বাৰ অৱকলন কৰিব পাৰি যদি অন্তৰালটোৰ প্ৰত্যেক বিন্দুত ধাৰাবাহিক অৱকলজবোৰ $f'(x)$, $f''(x)$,....., $f^n(x)$ স্থিত হয়।

বহুপদ ফলনবোৰক যিকোনো সংখ্যকবাৰ অৱকলন কৰিব পাৰি।

৮.৩ কিছুমান প্ৰামাণিক ফলনৰ nতম অৱকলজ

1) যদি $y = (ax+b)^m$, তেনেহ'লে, $y_1 = ma(ax+b)^{m-1}$

$y_2 = m(m-1)a^2(ax+b)^{m-2}$

$y_3 = m(m-1)(m-2)a^3(ax+b)^{m-3}$

সাধাৰণভাৱে,

$y_n = m(m-1)(m-2)....\{m-(n-1)\}a^n\ (ax+b)^{m-n}$

$y = (ax+b)^m \Rightarrow y_n = m(m-1)(m-2).....\{m-(n-1)\}a^n\ (ax+b)^{m-n}$

টোকা ঃ $m = -1$ বহুৰাই, আমি পাওঁ,

$y_n = (-1)(-1-1)(-1-1) \ldots (-1-(n-1))a^n(ax+b)^{-1-n}$

$= (-1)^n n!a^n(ax+b)^{-(n+1)}$

$$= \frac{(-1)^n n!a^n}{(ax+b)^{n+1}}$$

$$y = \frac{1}{ax+b} \Rightarrow y_n = \frac{(-1)^n n!a^n}{(ax+b)^{n+1}}$$

2) যদি $y = x^m$, তেনেহ'লে, $y_1 = mx^{m-1}$

$y_2 = m(m-1)x^{m-2}$

সাধাৰণভাৱে, $y_n = m(m-1)(m-2) \ldots \ldots (m-n+1)x^{m-n}$

$y = x^m \Rightarrow y_n = m\ (m-1)(m-2) \ldots \ldots (m-n+1)x^{m-n}$

টোকা ঃ a) যদি $n > m$, তেনেহ'লে, $y_n = 0$

b) যদি $n = m$, তেনেহ'লে, $y_n = n!$

3) যদি $y = e^{ax}$, তেনেহ'লে, $y_1 = ae^{ax}$

$y_2 = a^2e^{ax}$

সাধাৰণভাৱে, $y_n = a^ne^{ax}$

$y = e^{ax} \Rightarrow y_n = a^ne^{ax}$

টোকা ঃ যদি $y = e^x$, তেনেহ'লে, $y_n = e^x$.

4) যদি $y = \sin(ax+b)$, তেনেহ'লে,

$$y_1 = a\cos(ax+b) = a\sin\left\{\frac{\pi}{2}+(ax+b)\right\}$$

$$y_2 = a^2\cos\left\{\frac{\pi}{2}+(ax+b)\right\} = a^2\sin\left\{2.\frac{\pi}{2}+(ax+b)\right\}$$

$$y_3 = a^3\cos\left\{2.\frac{\pi}{2}+(ax+b)\right\} = a^3\sin\left\{3.\frac{\pi}{2}+(ax+b)\right\}$$

সাধাৰণভাৱে, $y_n = a^n \sin\left\{n\frac{\pi}{2}+(ax+b)\right\}$

$$y = \sin(ax+b) \Rightarrow y_n = a^n\sin\left\{n\frac{\pi}{2}+(ax+b)\right\}$$

টোকা ঃ a = 1, b = 0, বহুবাই আমি পালোঁ $y = \sin x \Rightarrow y_n = \sin\left(\frac{n\pi}{2}+x\right)$

5) যদি y = cos(ax+b), তেনেহ'লে,

$$y_1 = -a\sin(ax+b) = a\cos\left\{\frac{\pi}{2}+(ax+b)\right\}$$

$$y_2 = -a^2\sin\left\{\frac{\pi}{2}+(ax+b)\right\} = a^2\cos\left\{2.\frac{\pi}{2}+(ax+b)\right\}$$

$$y_3 = -a^3\sin\left\{2\frac{\pi}{2}+(ax+b)\right\} = a^3\cos\left\{3.\frac{\pi}{2}+(ax+b)\right\}$$

সাধাৰণভাৱে, $y_n = a^n\cos\left\{n\frac{\pi}{2}+(ax+b)\right\}$

$$y = \cos(ax+b) \Rightarrow y_n = a^n\cos\left\{n\frac{\pi}{2}+(ax+b)\right\}$$

টোকা ঃ a = 1, b = 0, বহুবাই আমি পালোঁ, $y = \cos x \Rightarrow y_n = \cos\left(\frac{n\pi}{2}+x\right)$

6) যদি y = log(ax+b), তেনেহ'লে, $y_1 = \frac{a}{ax+b} = a(ax+b)^{-1}$

$$y_2 = (-1)a^2(ax+b)^{-2}$$

$$y_3 = (-1)(-2)\,a^3(ax+b)^{-3}$$

সাধাৰণভাৱে, $y_n = (-1)(-2)\ldots\ldots \{-(n-1)\}\, a^n(ax+b)^{-n}$

$$= (-1)^{n-1}\,\underline{n-1}\; a^n\,(ax+b)^{-n}$$

$$y = \log(ax+b) \Rightarrow y_n = (-1)^{n-1}\,\underline{n-1}\; a^n(ax+b)^{-n}$$

7) যদি $y = e^{ax}\sin bx$, তেনেহ'লে, $y_1 = ae^{ax}\sin bx + be^{ax}\cos bx$

ধৰা হ'ল $a = r\cos\theta$, $b = r\sin\theta$

$\therefore r = \sqrt{a^2+b^2}$ and $\tan\theta = \frac{b}{a}$

$\therefore\ y_1 = r\cos\theta.e^{ax}\sin bx + r\sin\theta.e^{ax}\cos bx$

$\Rightarrow y_1 = re^{ax}(\cos\theta\ \sin bx + \sin\theta\ \cos bx)$

$\Rightarrow y_1 = re^{ax}\sin(bx+\theta)$

$\therefore\ y_2 = r[ae^{ax}\sin(bx+\theta) + be^{ax}\cos(bx+\theta)]$

$= re^{ax}[r\cos\theta\sin(bx+\theta) + r\sin\theta\cos(bx+\theta)]$

$= r^2e^{ax}\sin(bx+\theta+\theta)$

$= r^2e^{ax}\sin(bx+2\theta)$

সাধাৰণভাৱে, $y_n = r^n e^{ax}\sin(bx+n\theta)$

$$= \left(a^2+b^2\right)^{\frac{n}{2}} e^{ax}\ \sin\left(bx + n\ \tan^{-1}\frac{b}{a}\right)$$

$y = e^{ax}\sin bx$

$$\Rightarrow y_n = \left(a^2+b^2\right)^{\frac{n}{2}} e^{ax}\sin\left(bx + n\ \tan^{-1}\frac{b}{a}\right)$$



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অধোলিখিতবোৰৰ x সাপেক্ষে nতম অৱকল সহগ উলিয়াওক।

i) $y = \sinx$ ii) $y = \cosx$ iii) $y = e^{ax}\cosbx$

iv) $y = \frac{1}{ax+b}$ v) $y = e^x\sinx$ vi) $y = \logx$.

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: অধোলিখিতবোৰৰ x সাপেক্ষে অৱকল সহগ উলিয়াওক।

a) $y = \frac{1}{x^2-16}$ b) $y = \frac{1-x}{1+x}$

সমাধান ঃ a) $y = \frac{1}{x^2-16}$

$$\Rightarrow y = \frac{1}{(x-4)(x+4)} = \frac{1}{8}\left[\frac{1}{x-4} - \frac{1}{x+4}\right]$$

$$\therefore y_n = \frac{1}{8}\left[\frac{(-1)^n n!.1^n}{(x-4)^{n+1}} - \frac{(-1)^n n!.1^n}{(x+4)^{n+1}}\right]$$

$$\left[\because y = \frac{1}{ax+b} \Rightarrow y_n = \frac{(-1)^n n!.a^n}{(ax+b)^{n+1}}\right]$$

$$\Rightarrow y_n = \frac{1}{8}\left[\frac{(-1)^n n!}{(x-4)^{n+1}} - \frac{(-1)^n n!}{(x+4)^{n+1}}\right] = \frac{(-1)^n n!}{8}\left[\frac{1}{(x-4)^{n+1}} - \frac{1}{(x+4)^{n+1}}\right]$$

b) $y = \frac{1-x}{1+x} = \frac{2-(1+x)}{1+x}$

$$= \frac{2}{1+x} - \frac{1+x}{1+x}$$

$$= 2.\frac{1}{1+x} - 1$$

$$\therefore y_n = 2.\frac{(-1)^n n!.1^n}{(1+x)^{n+1}} - 0 = \frac{2.(-1)^n n!}{(1+x)^{n+1}}$$

উদাহৰণ 2: nতম অৱকলজ উলিয়াওক।

a) $y = \sin 3x \cos 5x$ b) $y = \tan^{-1}x$

c) $y = \cos^2 x$ d) $y = \cos^4 x$

সমাধান ঃ a) $y = \sin 3x \cos 5x$

$$\Rightarrow y = \frac{1}{2}(2\sin 3x \cos 5x)$$

$$\Rightarrow y = \frac{1}{2}[\sin 8x - \sin 2x]$$

$$\therefore y_n = \frac{1}{2}\left[8^n \sin\left(n\frac{\pi}{2} + 8x\right) - 2^n \sin\left(n\frac{\pi}{2} + 2x\right)\right]$$

$$= 2^{n-1}\left[2^{2n}\sin\left(n\frac{\pi}{2} + 8x\right) - \sin\left(n\frac{\pi}{2} + 2x\right)\right]$$

b) $y = \tan^{-1}x \Rightarrow y_1 = \frac{1}{1+x^2}$

$$\Rightarrow y_1 = \frac{1}{(x-i)(x+i)}$$

$$\Rightarrow y_1 = \frac{1}{2i}\left(\frac{1}{x-i} - \frac{1}{x+i}\right)$$

$$\Rightarrow y_n = \frac{1}{2i}\left[\frac{(-1)^{n-1}(n-1)!}{(x-i)^n} - \frac{(-1)^{n-1}(n-1)!}{(x+i)^n}\right]$$

$$\Rightarrow y_n = \frac{(-1)^{n-1}(n-1)!}{2i}\left[\frac{1}{(x-i)^n} - \frac{1}{(x+i)^n}\right]$$

ধৰা হ'ল, $x = r\cos\theta$ আৰু $1 = r\sin\theta$

$\therefore r = \sqrt{x^2+1}$ আৰু $\tan\theta = \frac{1}{x}$

তেনেহ'লে, $\frac{1}{(x-i)^n} = (r\cos\theta - ir\sin\theta)^{-n}$

$= r^{-n}(\cos\theta - i\sin\theta)^{-n}$

$= r^{-n}(\cos n\theta + i\sin n\theta)$ (ডি মইভাৰৰ উপপাদ্যৰ পৰা)

আৰু $\frac{1}{(x+i)^n} = (r\cos\theta + ir\sin\theta)^{-n}$

$= r^{-n}(\cos\theta + i\sin\theta)^{-n}$

$= r^{-n}(\cos n\theta - i\sin n\theta)$

$$\therefore y_n = \frac{(-1)^{n-1}(n-1)!}{2i}\left[r^{-n}(\cos n\theta + i\sin n\theta) - r^{-n}(\cos n\theta - i\sin n\theta s\right]$$

$$= \frac{(-1)^{n-1}(n-1)!}{2i}\left[2ir^n \sin n\theta\right]$$

$$= (-1)^n(n-1)!\, r^{-n}\sin n\theta$$

$$= \frac{(-1)^n(n-1)!}{(x^2+1)^{\frac{n}{2}}}.\sin\left(n\tan^{-1}\frac{1}{x}\right)$$

c) $y = \cos^2 x \Rightarrow y = \frac{1}{2}(1+\cos 2x)$

$$\therefore y_n = \frac{1}{2}\left[0 + 2^n\cos\left(n\frac{\pi}{2} + 2x\right)\right]$$

$$= 2^{n-1}\cos\left(n\frac{\pi}{2} + 2x\right)$$

d) $y = \cos^4 x = (\cos^2 x)^2$

$$= \left(\frac{1+\cos 2x}{2}\right)^2$$

$$= \frac{1}{4}\left[1 + 2\cos 2x + \cos^2 2x\right]$$

$$= \frac{1}{4}\left[1 + 2\cos 2x + \frac{1+\cos 4x}{2}\right]$$

$$= \frac{1}{8}\left[3 + 4\cos 2x + \cos 4x\right]$$

$$\therefore y_n = \frac{1}{8}\left[0 + 4.2^n\cos\left(n\frac{\pi}{2}+2x\right) + 4^n\cos\left(n\frac{\pi}{2}+4x\right)\right]$$

$$= \frac{1}{2^3}\left[2^{n+2}\cos\left(n\frac{\pi}{2}+2x\right) + 2^{2n}\cos\left(n\frac{\pi}{2}+4x\right)\right]$$

$$= 2^{n-1}\cos\left(n\frac{\pi}{2}+2x\right) + 2^{2n-3}\cos\left(n\frac{\pi}{2}+4x\right)$$

উদাহৰণ 3: যদি $y = \sin nx + \cos nx$, দেখুওৱাক যে $y_r = n^r\left\{1+(-1)^r\sin 2nx\right\}^{\frac{1}{2}}$

সমাধান ঃ দিয়া আছে, $y = \sin nx + \cos nx$

$$\therefore y_r = n^r\sin\left(r\frac{\pi}{2}+nx\right) + n^r\cos\left(r\frac{\pi}{2}+nx\right)$$

$$\Rightarrow y_r = n^r\left[\left\{\sin\left(r\frac{\pi}{2}+nx\right)+\cos\left(r\frac{\pi}{2}+nx\right)\right\}^2\right]^{\frac{1}{2}}$$

$$= n^r\left[\sin^2\left(r\frac{\pi}{2}+nx\right)+\cos^2\left(r\frac{\pi}{2}+nx\right)+2\sin\left(r\frac{\pi}{2}+nx\right)\cos\left(r\frac{\pi}{2}+nx\right)\right]^{\frac{1}{2}}$$

$$= n^r\left[1+\sin\left\{2\left(r\frac{\pi}{2}+nx\right)\right\}\right]^{\frac{1}{2}}$$

$$= n^r\left[1+\sin(r\,\pi+2nx)\right]^{\frac{1}{2}}$$

$$= n^r\left[1+(-1)^r\sin 2nx\right]^{\frac{1}{2}}$$

উদাহৰণ 4 : দেখুওৱাক যে $x = 0$ ৰ বাবে $\frac{x^3}{x^2-1}$ ৰ অৱকল সহগ 0 বা $-n!$ হ'ব যদি যথাক্রমে n যুগ্ম বা অযুগ্ম, $n > 1$.

সমাধান ঃ ধৰা হ'ল, $y = \frac{x^3}{x^2-1} = x + \frac{x}{x^2-1}$

$$= x + \frac{x}{(x-1)(x+1)}$$

$$= x + \frac{1}{2(x-1)} + \frac{1}{2(x+1)}$$

$\therefore$ যেতিয়া $n > 1$, আমি পালোঁ, $y_n = 0 + \frac{1}{2}\cdot\frac{(-1)^n n!}{(x-1)^{n+1}} + \frac{1}{2}\cdot\frac{(-1)^n n!}{(x+1)^{n+1}}$


$$\Rightarrow y_n = \frac{(-1)^n n!}{2}\left[\frac{1}{(x-1)^{n+1}} + \frac{1}{(x+1)^{n+1}}\right]$$

$$\therefore (y_n)_0 = \frac{(-1)^n n!}{2!}\left[\frac{1}{(-1)^{n+1}} + \frac{1}{1}\right]$$

$$= \frac{(-1)^n n!}{2}\left[(-1)^{n+1} + 1\right]$$

$$= \begin{cases} \frac{n!}{2}(-1+1), \text{ যদি n যুগ্ম} \\ \frac{-n!}{2}(1+1), \text{ যদি n অযুগ্ম} \end{cases}$$

$$= \begin{cases} 0, \text{ যদি n যুগ্ম} \\ -n!, \text{ যদি n অযুগ্ম} \end{cases}$$



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অধোলিখিতবোৰৰ nতম অৱকল সহগ উলিয়াওক।

a) $\frac{1}{x+2}$ b) $\frac{1}{x^2-4}$ c) $\frac{1}{x^2-1}$

প্রশ্ন নং ৩ ঃ y_n উলিয়াওক যদি,

a) $y = \cos 3x \cos 7x$ b) $y = \sin^2 x$

c) $y = \tan^{-1}\frac{1-x}{1+x}$ d) $y = \log(2x+5)$

e) $y = e^x \cos 3x$

প্রশ্ন নং ৪ ঃ যদি $y = (ax+b)^m$ আৰু n, mতকৈ সৰু এটা ধনাত্মক অখণ্ড সংখ্যা, প্রমাণ কৰক যে $y_n = \frac{m!}{(m-n)!}a^n(ax+b)^{m-n}$ কি চর্ত সিদ্ধ হ'লে,

a) y_n শূন্য হ'ব? b) y_n ধ্রুৱক হ'ব?

৮.৪ লাইবনিৎজৰ উপপাদ্য

ধৰা হ'ল, u আৰু v দুটা xৰ ফলন আৰু ফলন দুটা n বাৰ অৱকলনীয়। তেনেহ'লে,

$$(uv)_n = u_n v + {}^nc_1 u_{n-1}v_1 + {}^nc_2 u_{n-2}v_2 + \ldots + {}^nc_r u_{n-r}v_r + \ldots + uv_n$$

প্রমাণ ঃ গণিতীয় আৱোহ-তত্ত্বৰ সহায়ত আমি উপপাদ্যটো প্রমাণ কৰিম।

অৱকলনৰ সহায়ত আমি পাওঁ,

$$(uv)_1 = u_1 v + uv_1 \quad \ldots\ \ldots\ \ldots\ (1)$$

গতিকে n = 1ৰ বাবে উপপাদ্যটো সত্য।

ধৰা হ'ল, n = mৰ বাবে উপপাদ্যটো সত্য m > 1, $m \in N$.

গতিকে,

$$(uv)_m = u_m v + {}^mc_1 u_{m-1} v_1 + {}^mc_2 u_{m-2} v_2 + \ldots + {}^mc_{r-1} u_{m-r+1} v_{r-1} + {}^mc_r u_{m-r} v_r + \ldots + uv_m \quad \ldots\ldots\ldots (2)$$

(2)ৰ উভয় পক্ষক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\begin{aligned}(uv)_{m+1} &= (u_{m+1}v + u_m v_1) + {}^mc_1(u_m v_1 + u_{m-1}v_2) + {}^mc_2(u_{m-1}v_2 + u_{m-2}v_3) + \\ &\quad \ldots + {}^mc_{r-1}(u_{m-r+2}v_{r-1} + u_{m-r+1}v_r) + {}^mc_r(u_{m-r+1}v_r + u_{m-r}v_n) + \\ &\quad \ldots + (u_1 v_m + uv_{m+1}) \\ &= u_{m+1}v + (1+{}^mc_1)u_m v_1 + ({}^mc_1 + {}^mc_2)u_{m-1}v_2 + \ldots \\ &\quad + ({}^mc_{r-1} + {}^mc_r)u_{m-r+1}v_r + \ldots + uv_{m+1} \\ &= u_{m+1}v + {}^{m+1}c_1 u_m v_1 + {}^{m+1}c_2 u_{m-1}v_2 + \ldots + {}^{m+1}c_r u_{m-r+1}v_r + \ldots + uv_{m+1}\end{aligned}$$

$[\because {}^mc_0 = 1,\ {}^mc_{r-1} + {}^mc_r = {}^{m+1}c_r]$

$\therefore$ n = m + 1ৰ বাবে উপপাদ্যটো সত্য, যদি ই n = mৰ বাবে সত্য। কিন্তু উপপাদ্যটো n = 1ৰ বাবে সত্য। এইদৰে n = 2, n = 3 আদিৰ বাবে সত্য।

অর্থাৎ উপপাদ্যটো nৰ সকলো ধনাত্মক অখণ্ড মানৰ বাবে সত্য।

টোকা ঃ গট্‌ফ্রিড্ উইলহেল্ম লাইবনিৎজ (Gottfried Wilhelm Leibnitz, 1646-1716) আছিল এজন প্রথিতযশা গণিতজ্ঞ।



গট্‌ফ্রিড্ উইলহেল্ম লাইবনিৎজ (1646-1716) ঃ তেওঁ জার্মান গণিতজ্ঞ আৰু দার্শনিক আছিল।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: যদি $y = x^n \log x$, দেখুওৱাক যে $xy_{n+1} = n!$

সমাধান ঃ দিয়া আছে, $y = x^n \log x$

$$\therefore y_1 = x^n \frac{1}{x} + nx^{n-1}\log x$$

$$\Rightarrow xy_1 = x^n + nx^n \log x$$

$$\Rightarrow xy_1 = x^n + ny$$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি, আমি পাওঁ,

$$xy_{n+1} + {}^nc_1 . 1 . y_n = n! + ny_n$$

$$\Rightarrow xy_{n+1} + ny_n = n! + ny_n$$

$$\Rightarrow xy_{n+1} = n!$$

উদাহৰণ 2: যদি $y = a\cos(\log x) + b\sin(\log x)$, দেখুওৱাক যে,

i) $x^2y_2 + xy_1 + y = 0$

ii) $x^2y_{n+2} + (2n+1)xy_{n+1} + (n^2+1)y_n = 0$

সমাধান ঃ দিয়া আছে, $y = a\cos(\log x) + b\sin(\log x)$ ... ... (1)

$$\therefore y_1 = -a\frac{\sin(\log x)}{x} + \frac{b\cos(\log x)}{x}$$

$\Rightarrow xy_1 = -a\sin(\log x) + b\cos(\log x)$ ... ... (2)

(2)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$xy_2 + 1.y_1 = -\frac{a\cos(\log x)}{x} - \frac{b\sin(\log x)}{x}$$

$\Rightarrow x^2y_2 + xy_1 = -[a\cos(\log x) + b\sin(\log x)]$

$\Rightarrow x^2y_2 + xy_1 = -y$, (1)ৰ পৰা

$\Rightarrow x^2y_2 + xy_1 + y = 0$, এইটো হ'ল (i).

(1)ক লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$$(x^2y_{n+2} + {}^nc_1.2xy_{n+1} + {}^nc_2.2.y_n) + (xy_{n+1} + {}^nc_1.1.y_n) + y_n = 0$$

$$\Rightarrow x^2y_{n+2} + 2nxy_{n+1} + \frac{n(n-1)}{2!}.2y_n + xy_{n+1} + ny_n + y_n = 0$$

$\Rightarrow x^2y_{n+2} + (2n+1)xy_{n+1} + (n^2-n+n+1)y_n = 0$

$\Rightarrow x^2y_{n+2} + (2n+1)xy_{n+1} + (n^2+1)y_n = 0$

উদাহৰণ 3 : যদি $y = e^{a\sin^{-1}x}$, প্ৰমাণ কৰক যে,

$$(1-x^2)y_{n+2} - (2n+1)xy_{n+1} - (n^2+a^2)y_n = 0.$$

সমাধান ঃ দিয়া আছে, $y = e^{a\sin^{-1}x} \Rightarrow \log y = a\sin^{-1}x$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{1}{y}.y_1 = a.\frac{1}{\sqrt{1-x^2}}$

$$\Rightarrow \frac{y_1^2}{y^2} = \frac{a^2}{1-x^2}$$

$$\Rightarrow (1-x^2)y_1^2 = a^2y^2$$

আকৌ x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$(1-x^2)2\,y_1y_2 + (-2x)y_1^2 = a^2.2yy_1 \Rightarrow (1-x^2)y_2 - xy_1 = a^2y$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$$\left\{(1-x^2)y_{n+2} + {}^n c_1(-2x)y_{n+1} + {}^n c_2(-2)y_n\right\} - \left\{xy_{n+1} + {}^n c_1.1.y_n\right\} = a^2y_n$$

$$\Rightarrow (1-x^2)y_{n+2} - 2nxy_{n+1} - 2.\frac{n(n-1)}{2!}y_n - xy_{n+1} - ny_n = a^2y_n$$

$\Rightarrow (1-x^2)y_{n+2} - (2n+1)xy_{n+1} - (n^2-n+n+a^2)y_n = 0$

$\Rightarrow (1-x^2)y_{n+2} - (2n+1)xy_{n+1} - (n^2+a^2)y_n = 0$

উদাহৰণ 4: যদি $y = \sin(m \sin^{-1}x)$, প্ৰমাণ কৰক যে,

i) $(1-x^2)y_2 - xy_1 + m^2y = 0$

ii) $(1-x^2)y_{n+2} - (2n+1)xy_{n+1} - (n^2-m^2)y_n = 0$

লগতে $y_n(0)$ নিৰ্ণয় কৰক।

সমাধান ঃ দিয়া আছে, $y = \sin(m \sin^{-1}x)$ ... ... (1)

$\Rightarrow \sin^{-1}y = m\sin^{-1}x$

$\Rightarrow \frac{1}{\sqrt{1-y^2}}.y_1 = m.\frac{1}{\sqrt{1-x^2}}$ (অৱকলন কৰি)

$\Rightarrow (1-x^2)y_1^2 = m^2(1-y^2)$ ... ... (2)

আকৌ, x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$(1-x^2)2y_1y_2 + (-2x)y_1^2 = m^2(0-2y\,y_1)$

$\Rightarrow (1-x^2)y_2 - xy_1 = -m^2y$

$\Rightarrow (1-x^2)y_2 - xy_1 + m^2y = 0$ ... ... (3)

এইটো হ'ল (i)

আকৌ লাইবনিৎজৰ উপপাদ্যৰ সহায়ত (3)ক n বাৰ অৱকলন কৰি আমি পাওঁ,

$\left\{(1-x^2)y_{n+2} + {}^n c_1(-2x)y_{n+1} + {}^n c_2(-2)y_n\right\} - \left\{xy_{n+1} + {}^n c_1.1.y_n\right\} + m^2y_n = 0$

$\Rightarrow (1-x^2)y_{n+2} - 2nxy_{n+1} - 2.\frac{n(n-1)}{2!}y_n - xy_{n+1} - ny_n + m^2y_n = 0$

$\Rightarrow (1-x^2)y_{n+2} - (2n+1)xy_{n+1} - (n^2-n+n-m^2)y_n = 0$

$\Rightarrow (1-x^2)y_{n+2} - (2n+1)xy_{n+1} - (n^2-m^2)y_n = 0$ ... ... (4)

এইটো হ'ল (ii),

$x = 0$ বহুৱাই, 1)ৰ পৰা $y(0) = 0$

2)ৰ পৰা $y_1(0) = m$

3)ৰ পৰা $y_2(0) = 0$

4)ৰ পৰা $y_{n+2}(0) = (n^2-m^2)y_n(0)$ ... ... (5)

(5)ত $n = 1, 2, 3, \ldots$ বহুৱাই আমি পাওঁ,

$y_3(0) = (1^2-m^2)y_1(0) = m(1^2-m^2)$

$y_4(0) = (2^2-m^2)y_2(0) = 0$

$y_5(0) = (3^2-m^2)y_3(0) = m(1^2-m^2)(3^2-m^2)$

$y_6(0) = (4^2-m^2)\,y_4(0) = 0$

$y_7(0) = (5^2-m^2)y_5(0) = m(1^2-m^2)\,(3^2-m^2)\,(5^2-m^2)$ এইদৰে ওলাই থাকিব।

যদি n যুগ্ম, $y_n(0) = 0$

আৰু $y_n(0) = m(1^2-m^2)(3^2-m^2)(5^2-m^2) \ldots \ldots \{(n-2)^2-m^2\}$

উদাহৰণ 5: যদি $y = (\sin^{-1}x)^2$, প্ৰমাণ কৰক যে,

$$(1-x^2)y_{n+2} + (2n+1)xy_{n+1} - n^2y_n = 0$$

সমাধান ঃ দিয়া আছে, $y = (\sin^{-1}x)^2$ ... ... (1)

$$\Rightarrow y_1 = 2\sin^{-1}x.\frac{1}{\sqrt{1-x^2}}$$

$$\Rightarrow \sqrt{1-x^2}.y_1 = 2\sin^{-1}x$$

$$\Rightarrow (1-x^2)y_1^2 = 4(\sin^{-1}x)^2$$

$$\Rightarrow (1-x^2)y_1^2 = 4y, \text{ (1)ৰ পৰা}$$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $(1-x^2)2y_1y_2 + (-2x)y_1^2 = 4y_1$

$$\Rightarrow (1-x^2)y_2 - xy_1 = 2$$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$$\left\{(1-x^2)y_{n+2} + {}^nc_1(-2x)y_{n+1} + {}^nc_2(-2)y_n\right\} - \left\{xy_{n+1} + {}^nc_1.1.y_n\right\} = 0$$

$$\Rightarrow (1-x^2)y_{n+2} - 2nxy_{n+1} - 2.\frac{n(n-1)}{2!}.y_n - xy_{n+1} - ny_n = 0$$

$$\Rightarrow (1-x^2)y_{n+2} - (2n+1)xy_{n+1} - (n^2-n+n)y_n = 0$$

$$\Rightarrow (1-x^2)y_{n+2} - (2n+1)xy_{n+1} - n^2y_n = 0$$

উদাহৰণ 6 : যদি $I_n = \frac{d^n}{dx^n}(x^n \log x)$, দেখুওৱাক যে, $I_n = nI_{n-1} + (n-1)!$

ইয়াৰ সহায়ত দেখুওৱাক যে, $I_n = n!\left(\log x + 1 + \frac{1}{2} + \frac{1}{3} + ... + \frac{1}{n}\right)$

সমাধান ঃ $I_n = \frac{d^n}{dx^n}\left(x^n \log x\right)$

$$= \frac{d^{n-1}}{dx^{n-1}}\left\{\frac{d}{dx}\left(x^n \log x\right)\right\}$$

$$= \frac{d^{n-1}}{dx^{n-1}}\left(x^n.\frac{1}{x} + nx^{n-1}\log x\right)$$

$$= \frac{d^{n-1}}{dx^{n-1}}\left(x^{n-1}\right) + n\frac{d^{n-1}}{dx^{n-1}}\left(x^{n-1}\log x\right)$$

$$= (n-1)! + nI_{n-1}$$

অৰ্থাৎ, $I_n = nI_{n-1} + (n-1)!$ ... ... (1)

দ্বিতীয় অংশ ঃ

(1)ৰ পৰা $\frac{I_n}{n!} = \frac{nI_{n-1}}{n!} + \frac{(n-1)!}{n!}$

$$\Rightarrow \frac{I_n}{n!} = \frac{I_{n-1}}{(n-1)!} + \frac{1}{n} \quad \text{... ... ... (2)}$$

nৰ ঠাইত n–1 বহুৰাই আমি পাওঁ, $\frac{I_{n-1}}{(n-1)!}=\frac{I_{n-2}}{(n-2)!}+\frac{1}{(n-1)}$

(2)ৰ পৰা $\frac{I_n}{n!}=\frac{I_{n-2}}{(n-2)!}+\frac{1}{n-1}+\frac{1}{n}$

এইদৰে কৰি থাকিলে আৰু (2) ব্যৱহাৰ কৰিলে আমি পাম,

$$\frac{I_n}{n!}=\frac{I_1}{1!}+\frac{1}{2}+\frac{1}{3}+.....+\frac{1}{n}$$

$$\Rightarrow I_n=n!\left(I_1+\frac{1}{2}+\frac{1}{3}+.....+\frac{1}{n}\right) \quad \text{... ... ... (3)}$$

এতিয়া, $I_1=\frac{d}{dx}(x\log x)$

$$=x.\frac{1}{x}+1.\log x$$

$$=1+\log x$$

$$\therefore (3)\text{ ৰ পৰা } I_n=n!\left(\log x+1+\frac{1}{2}+\frac{1}{3}+.....+\frac{1}{n}\right)$$

উদাহৰণ 7: যদি $y^{\frac{1}{m}}+y^{-\frac{1}{m}}=2x$, প্ৰমাণ কৰক যে,

$$(x^2-1)y_{n+2}+(2n+1)xy_{n+1}+(n^2-m^2)y_n=0$$

সমাধান ঃ দিয়া আছে, $y^{\frac{1}{m}}+y^{-\frac{1}{m}}=2x$ ... ... (1)

$$\Rightarrow y^{\frac{2}{m}}+1=2xy^{\frac{1}{m}}$$

$$\Rightarrow y^{\frac{2}{m}}-2xy^{\frac{1}{m}}+1=0$$

$$\Rightarrow y^{\frac{1}{m}}=\frac{2x\pm\sqrt{4x^2-4}}{2}$$

$$\Rightarrow y^{\frac{1}{m}}=\frac{2x\pm2\sqrt{x^2-1}}{2}$$

$$\Rightarrow y=\left(x\pm\sqrt{x^2-1}\right)^m \quad \text{... ... ... (2)}$$

$$\therefore y_1=m\left(x\pm\sqrt{x^2-1}\right)^{m-1}\left(1\pm\frac{1}{2\sqrt{x^2-1}}(2x)\right)$$

$$\Rightarrow y_1=\frac{m\left(x\pm\sqrt{x^2-1}\right)^m}{x\pm\sqrt{x^2-1}}.\frac{\sqrt{x^2-1}\pm x}{\sqrt{x^2-1}}$$

$\Rightarrow y_1 = \pm\frac{m\,y}{\sqrt{x^2-1}}$, (2)ৰ সহায়ত

$\Rightarrow (x^2-1)y_1^2 = m^2y^2$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $(x^2-1)2y_1y_2 + 2xy_1^2 = m^2.2y\,y_1$

$\Rightarrow (x^2-1)y_2 + xy_1 = m^2y$

লাইবনিজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$\{(x^2-1)y_{n+2} + {}^nc_1.2x.y_{n+1} + {}^nc_2.2.y_n\} + (xy_{n+1} + {}^nc_1.1.y_n\} = m^2y_n$

$\Rightarrow (x^2-1)y_{n+2} + (2n+1)xy_{n+1} + (n^2-n+n-m^2)y_n = 0$

$\Rightarrow (x^2-1)y_{n+2} + (2n+1)xy_{n+1} + (n^2-m^2)y_n = 0$

উদাহৰণ 8: যদি $\cos^{-1}\left(\frac{y}{b}\right) = \log\left(\frac{x}{n}\right)^n$, প্ৰমাণ কৰক যে,

$x^2y_{n+2} + (2n+1)xy_{n+1} + 2n^2y_n = 0$

সমাধান ঃ দিয়া আছে, $\cos^{-1}\left(\frac{y}{b}\right) = \log\left(\frac{x}{n}\right)^n$ ... ... (1)

$\Rightarrow \cos^{-1}\left(\frac{y}{b}\right) = n(\log x - \log n)$

x সাপেক্ষে অৱকলন কৰি আমি পাও, $\frac{-1}{\sqrt{1-\frac{y^2}{b^2}}}.\frac{y_1}{b} = n\left(\frac{1}{x}-0\right)$

$\Rightarrow \frac{-y_1}{\sqrt{b^2-y^2}} = \frac{n}{x}$

$\Rightarrow x^2y_1^2 = n^2(b^2-y^2)$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $x^2.2y_1y_2 + 2xy_1^2 = n^2(0-2y\,y_1)$

$\Rightarrow x^2y_2 + xy_1 = -n^2y$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$(x^2y_{n+2} + {}^nc_1.2xy_{n+1} + {}^nc_2.2.y_n) + (xy_{n+1} + {}^nc_1.1.y_n) = -n^2y_n$

$\Rightarrow x^2y_{n+2} + 2nxy_{n+1} + 2.\frac{n(n-1)}{L2}y_n + xy_{n+1} + ny_n + n^2y_n = 0$

$\Rightarrow x^2y_{n+2} + (2n+1)xy_{n+1} + (n^2-n+n+n^2)y_n = 0$

$\Rightarrow x^2y_{n+2} + (2n+1)xy_{n+1} + 2n^2y_n = 0$



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ যদি $y = x^n \log x$ লাইবনিৎজৰ উপপাদ্য ব্যৱহাৰ ৰ্Á¡ y_{n+1} নির্ণয় কৰক।

প্রশ্ন নং ৬ ঃ যদি $y = \cos(\log x)$, প্রমাণ কৰক যে,

$x^2y_{n+2} + (2n+1)xy_{n+1} + (n^2+1)y_n = 0$

প্রশ্ন নং ৭ ঃ যদি $y = (x^2-1)^n$, প্রমাণ কৰক যে,

$(x^2-1)y_{n+2} + 2xy_{n+1} - n(n+1)y_n = 0$

প্রশ্ন নং ৮ ঃ যদি $y = e^{\tan^{-1}x}$, প্রমাণ কৰক যে,

$(1+x^2)y_{n+2} + [2(n+1)x-1]y_{n+1} + n(n+1)y_n = 0$

প্রশ্ন নং ৯ ঃ যদি $y = \tan^{-1}x$, প্রমাণ কৰক যে,

$(1+x^2)y_{n+2} + 2(n+1)xy_{n+1} + n(n+1)y_n = 0$

ইয়াৰ সহায়ত $y_n(0)$ উলিয়াওক।

প্রশ্ন নং ১০ ঃ যদি $y = \left(\log\left(x + \sqrt{1+x^2}\right)\right)^2$, প্রমাণ কৰক যে,

$(1+x^2)y_{n+2} + 2(n+1)xy_{n+1} + n^2y_n = 0$

দেখুৱাওক যে $(y_{n+2})_0 = -n^2(y_n)_0$

প্রশ্ন নং ১১ ঃ যদি $y = e^x \log x$, প্রমাণ কৰক যে,

i) $xy_2 - (2x-1)y_1 + (x-1)y = 0$

ii) $xy_{n+2} + (n-2x+1)y_{n+1} - (2n-x+1)y_n + ny_{n-1} = 0$

প্রশ্ন নং ১২ ঃ যদি $y = \dfrac{\sin^{-1}x}{\sqrt{1-x^2}}$, প্রমাণ কৰক যে,

$(1-x^2)y_{n+2} - (2n+3)xy_{n+1} - (n+1)^2y_n = 0$

প্রশ্ন নং ১৩ ঃ যদি $x = \tan(\log y)$, প্রমাণ কৰক যে,

$(1+x^2)y_{n+1} + (2nx-1)y_n + n(n-1)y_{n-1} = 0$



৮.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- $y = f(x)$ ফলনক n বাৰ ধাৰাবাহিকভাৱে অৱকলন কৰি yৰ nতম অৱকলজক $y^{(n)}(x)$, $f^{(n)}(x)$, $D^{(n)}y$, $\dfrac{d^ny}{dx^n}$ or $y_n(x)$ৰে বুজোৱা হয়।
- কিছুমান প্রামাণিক ফলনৰ nতম অৱকলজ তলত দিয়া হ'ল ঃ

  a) $y = (ax+b)^m$ৰ বাবে $y_n = m(m-1)(m-2)\ldots\ldots\{m-(n-1)\}a^n(ax+b)^{m-n}$.

b) $y = x^m$ৰ বাবে $y_n = m(m-1)(m-2)\ldots\ldots(m-n+1)x^{m-n}$

d) $y = \sin(ax+b)$ৰ বাবে $y_n = a^n \sin\left\{n\frac{\pi}{2} + (ax+b)\right\}$

e) $y = \cos(ax+b)$ৰ বাবে $y_n = a^n \cos\left\{n\frac{\pi}{2} + (ax+b)\right\}$

f) $y = \log(ax+b)$ৰ বাবে $y_n = (-1)^{n-1} \lfloor\underline{n-1}\, a^n (ax+b)^{-n}$

g) $y = e^{ax}\sin bx$ৰ বাবে $y_n = \left(a^2+b^2\right)^{\frac{n}{2}} e^{ax} \sin\left(bx + n\tan^{-1}\frac{b}{a}\right)$.

- দুটা ফলনৰ পূৰণফলৰ nতম অৱকলজ উলিয়াবৰ বাবে লাইবনিৎজৰ উপপাদ্যটো হ'ল এনে ধৰণৰ ঃ

ধৰা হ'ল, u আৰু v দুটা xৰ ফলন। ফলন দুটাক nবাৰ অৱকলন কৰিব পাৰি। তেনেহ'লে,

$(uv)_n = u_n v + {}^nc_1 u_{n-1} v_1 + {}^nc_2 u_{n-2} v_2 + \ldots\ldots + {}^nc_r u_{n-r} v_r + \ldots\ldots + uv_n$

৮.৬ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ i) দিয়া আছে, $y = \sin x$

$$y_1 = \cos x = \sin\left(\frac{\pi}{2} + x\right)$$

$$y_2 = \cos\left(\frac{\pi}{2} + x\right) = \sin\left(\frac{\pi}{2} + \frac{\pi}{2} + x\right) = \sin\left(2.\frac{\pi}{2} + x\right)$$

$$y_3 = \cos\left(2.\frac{\pi}{2} + x\right) = \sin\left(\frac{\pi}{2} + 2.\frac{\pi}{2} + x\right) = \sin\left(3.\frac{\pi}{2} + x\right)$$

এইদৰে, $y_n = \sin\left(n.\frac{\pi}{2} + x\right)$

ii) দিয়া আছে, $y = \cos x$

$$y_1 = -\sin x = \cos\left(\frac{\pi}{2} + x\right)$$

$$y_2 = -\sin\left(\frac{\pi}{2} + x\right) = \cos\left(\frac{\pi}{2} + \frac{\pi}{2} + x\right)$$

$$y_3 = -\sin\left(2.\frac{\pi}{2} + x\right) = \cos\left(\frac{\pi}{2} + 2.\frac{\pi}{2} + x\right) = \cos\left(3.\frac{\pi}{2} + x\right)$$

এইদৰে, $y_n = \cos\left(n.\frac{\pi}{2} + x\right)$

iii) দিয়া আছে, $y = e^{ax}\cos bx$

$y_1 = ae^{ax}\cos bx - be^{ax}\sin bx$ ($a = r\cos\theta$ আৰু $b = r\sin\theta$ বহুওৱা হ'ল,

$$\therefore r = \sqrt{a^2+b^2} \text{ আৰু } \tan\theta = \frac{b}{a})$$

$= r\cos\theta\, e^{ax}\cos bx - r\sin\theta e^{ax}\sin bx$

$= re^{qx}\cos(bx+\theta)$

$y_2 = r[ae^{ax}\cos(bx+\theta) - be^{ax}\sin(bx+\theta)]$

$= re^{ax}[r\cos\theta\cos(bx+\theta) - r\sin\theta\sin(bx+\theta)]$

$= r^2e^{ax}[\cos\theta\cos(bx+\theta) - \sin\theta\sin(bx+\theta)]$

$= r^2e^{ax}\cos(bx+2\theta)$

এইদৰে, $y_n = r^n e^{ax}\cos(bx+n\theta)$

$$= \left(a^2+b^2\right)^{\frac{n}{2}} e^{ax}\cos\left(bx + n\tan^{-1}\frac{b}{a}\right).$$

iv) দিয়া আছে, $y = \dfrac{1}{ax+b}$

$$y_1 = -\frac{1}{(ax+b)^2}$$

$$y_2 = \frac{(-1)(-2)}{(ax+b)^3}a^2 = \frac{(-1)^2 2!}{(ax+b)^3}a^2$$

$$y_3 = \frac{(-1)^2 2!(-3)}{(ax+b)^4}a^3 = \frac{(-1)^2 3!}{(ax+b)^4}a^3$$

এইদৰে, $y_n = \dfrac{(-1)^2 n!}{(ax+b)^{n+1}}a^n$.

v) দিয়া আছে, $y = e^x\sin x$

$$y = e^x\sin x + e^x\cos x$$

$$y_1 = \sqrt{2}e^x\left(\frac{1}{\sqrt{2}}\sin x + \frac{1}{\sqrt{2}}\cos x\right)$$

$$= \sqrt{2}e^x\sin\left(\frac{\pi}{4}+x\right)$$

$$= 2^{\frac{1}{2}}e^x\sqrt{2}\left[\frac{1}{\sqrt{2}}\sin\left(\frac{\pi}{4}+x\right)+\frac{1}{\sqrt{2}}\cos\left(\frac{\pi}{4}+x\right)\right]$$

$$= 2^{\frac{2}{2}}\left[e^x\cos\frac{\pi}{4}\sin\left(\frac{\pi}{4}+x\right)+e^x\sin\frac{\pi}{4}\cos\left(\frac{\pi}{4}+x\right)\right]$$

$$= 2^{\frac{2}{2}} e^x \sin\left(\frac{\pi}{4} + \frac{\pi}{4} + x\right)$$

$$= 2^{\frac{2}{2}} e^x \sin\left(2.\frac{\pi}{4} + x\right)$$

এইদৰে, $y_n = 2^{\frac{n}{2}} e^x \sin\left(n.\frac{\pi}{4} + x\right)$.

vi) দিয়া আছে, $y = \log x$

$$y_1 = \frac{1}{x}$$

$$y_2 = \frac{-1}{x^2}$$

$$y_3 = \frac{(-1)(-2)}{x^3} = \frac{(-1)^2 2!}{x^3}$$

$$y_4 = \frac{(-1)(-2)(-3)}{x^4} = \frac{(-1)^3 3!}{x^4}$$

এইদৰে, $y_n = \frac{(-1)^{n-1}(n-1)!}{x^n}$.

২নং প্ৰশ্নৰ উত্তৰ ঃ a) ধৰা হ'ল, $y = \frac{1}{x+2}$

$$\Rightarrow y_1 = \frac{-1}{(x+2)^2}$$

$$\Rightarrow y_2 = \frac{(-1)(-2)}{(x+2)^3} = \frac{(-1)^2 2!}{(x+2)^3}$$

সেইদৰে, $y_3 = \frac{(-1)(-2)(-3)}{(x+2)^4} = \frac{(-1)^3 3!}{(x+2)^4}$

এইদৰে, আমি পাম, $y_n = \frac{(-1)^n n!}{(x+2)^{n+1}}$.

b) ধৰা হ'ল, $y = \frac{1}{x^2-4} \Rightarrow y = \frac{1}{(x+2)(x-2)}$

$$\Rightarrow y = \frac{1}{4}\left[\frac{1}{x-2} - \frac{1}{x+2}\right]$$

$$y_n = \frac{1}{4}\left[\frac{(-1)^n n!.1^n}{(x-2)^{n+1}} - \frac{(-1)^n n!.1^n}{(x+2)^{n+1}}\right]$$

$$\Rightarrow y_n = \frac{1}{4}\left[\frac{(-1)^n n!}{(x-2)^{n+1}} - \frac{(-1)^n n!}{(x+2)^{n+1}}\right]$$

$$= \frac{(-1)^n n!}{4}\left[\frac{1}{(x-2)^{n+1}} - \frac{1}{(x+2)^{n+1}}\right]$$

c) ধৰা হ'ল, $y = \frac{1}{x^2-1}$

$$\Rightarrow y = \frac{1}{(x-1)(x+1)}$$

$$\Rightarrow y = \frac{1}{2}\left[\frac{1}{x-1} - \frac{1}{x+1}\right]$$

$$\therefore\ y_n = \frac{1}{2}\left[\frac{(-1)^n n!.1^n}{(x-1)^{n+1}} - \frac{(-1)^n n!.1^n}{(x+1)^{n+1}}\right]$$

$$= \frac{1}{2}\left[\frac{(-1)^n n!}{(x-1)^{n+1}} - \frac{(-1)^n n!}{(x+1)^{n+1}}\right]$$

$$= \frac{(-1)^n n!}{2}\left[\frac{1}{(x-1)^{n+1}} - \frac{1}{(x+1)^{n+1}}\right]$$

৩নং প্ৰশ্নৰ উত্তৰ ঃ a) দিয়া আছে, $y = \cos 3x \cos 7x$

$$= \frac{1}{2}(2\cos 3x \cos 7x)$$

$$= \frac{1}{2}[\cos 4x + \cos 10x]$$

$$y_n = \frac{1}{2}\left[4^n \cos\left(n\frac{\pi}{2} + 4x\right) + 10^n \cos\left(n\frac{\pi}{2} + 10x\right)\right]$$

b) দিয়া আছে, $y = \sin^2 x$

$$= \frac{1}{2}(2\sin^2 x)$$

$$= \frac{1}{2}(1 - \cos 2x)$$

$$= \frac{1}{2} - \frac{1}{2}\cos 2x$$

$$y_n = 0 - \frac{1}{2}.2^n \cos\left(n\frac{\pi}{2} + 2x\right)$$

$$= -2^{n-1}\cos\left(n\frac{\pi}{2} + 2x\right).$$

c) দিয়া আছে, $y = \tan^{-1}\frac{1-x}{1+x}$

$= \tan^{-1} 1 - \tan^{-1} x$

$= \frac{\pi}{4} - \tan^{-1} x$

$y_n = 0 - (-1)^{n-1}(n-1)!\frac{\sin n\theta}{r^n}$, যাতে, $r = \sqrt{x^2+1}$ আৰু $\tan\theta = \frac{1}{x}$.

$\Rightarrow y_n = \frac{(-1)^n(n-1)!}{(x^2+1)^{\frac{n}{2}}}\sin\left(n\tan^{-1}\frac{1}{x}\right)$

d) দিয়া আছে, $y = \log(2x+5)$

$y_1 = \frac{2}{2x+5}$

$y_2 = (-1)\frac{2^2}{(2x+5)^2}$

$y_3 = (-1)(-2)\frac{2^3}{(2x+5)^3} = (-1)^2 2!\frac{2^3}{(2x+5)^3}$

এইদৰে, $y_n = (-1)^{n-1}(n-1)!\frac{2^n}{(2x+5)^n}$.

e) দিয়া আছে, $y = e^x \cos 3x \Rightarrow y_1 = e^x\cos3x - 3e^x\sin3x$

$= e^x(\cos3x - 3\sin3x)$

$= e^x(r\cos\theta\cos3x - r\sin\theta\sin3x)$

ëÂযাতে, $r\cos\theta = 1$ আৰু $r\sin\theta = 3$

$r = \sqrt{10}$ আৰু $\tan^{-1}3 = \theta$]

$= e^x r\cos(3x+\theta)$

$= re^x\cos(3x+\theta)$

$y_2 = r[e^x\cos(3x+\theta) - 3e^x\sin(3x+\theta)]$

$= re^x[r\cos\theta\cos(3x+\theta) - r\sin\theta\sin(3x+\theta)]$

$= r^2e^x\cos(\theta+3x+\theta)$

$= r^2e^x\cos(3x+2\theta)$

এইদৰে, $y_n = r^ne^x\cos(3x+n\theta)$

$= (10)^{\frac{n}{2}}e^x\cos(3x+n\tan^{-1}3)$.

৪নং প্ৰশ্নৰ উত্তৰ ঃ a) আমি জানো যে যদি, $y = (ax+b)^m$, তেনেহ'লে,

$$y_n = m(m-1)(m-2), ..., [m-(n-1)]a^n(ax+b)^{m-n},\ n < m$$

$$= \frac{m!}{(m-n)!}a^n(ax+b)^{m-n}$$

দ্বিতীয় অংশ ঃ a) If $n > m$, $y_n = 0$

b) If $n = m$, $y_n = n!$, এটা ধ্ৰুৱক।

৫নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = x^n \log x$

$$\therefore y_1 = nx^{n-1}\log x + x^n.\frac{1}{x}$$

$$\Rightarrow xy_1 = nx^n \log x + x^n$$

$$\Rightarrow xy_1 = ny + x^n$$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি, আমি পাওঁ,

$$xy_{n+1} + n.1.y_n = n.y_n + n!$$

$$\Rightarrow xy_{n+1} = n!$$

$$\Rightarrow y_{n+1} = \frac{n!}{x}.$$

৬নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = \cos(\log x)$

$$\Rightarrow \cos^{-1} y = \log x$$

$$\therefore \frac{d}{dx}\left(\cos^{-1} y\right) = \frac{d}{dx}(\log x)$$

$$\Rightarrow \frac{-1}{\sqrt{1-y^2}}y_1 = \frac{1}{x}$$

$$\Rightarrow -xy_1 = \sqrt{1-y^2}$$

$$\Rightarrow x^2y_1^2 = 1 - y^2$$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $x^2 2y_1y_2 + 2x.y_1^2 = -2y.y_1$

$$\Rightarrow x^2y_2 + x.y_1 = -y$$

$$\Rightarrow x^2y_2 + x.y_1 + y = 0$$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$$\left\{x^2y_{n+2} + n.2x.y_{n+1} + \frac{n(n-1)}{2!}.2y_n\right\} + \{xy_{n+1} + n.1.y_n\} + y_n = 0$$

$$\Rightarrow x^2y_{n+1} + (2n+1)y_{n+1} + (n^2+1)y_n = 0$$

৭নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = (x^2-1)^n$ ... ... (1)

$$y_1 = n(x^2-1)^{n-1}.2x$$

$$\Rightarrow y_1 = \frac{n(x^2-1)^n.2x}{(x^2-1)}$$

$$\Rightarrow (x^2-1)y_1 = ny.2x \quad (1)\text{ৰ সহায়ত}$$

$$\Rightarrow (x^2-1)y_1 = 2nxy$$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ $(x^2-1)y_2 + 2xy_1 = 2n(1.y + xy_1)$

$$\Rightarrow (x^2-1)y_2 + 2(1-n)xy_1 - 2ny = 0$$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$$\left\{(x^2-1)y_{n+2} + n.2xy_{n+1} + \frac{n(n-1)}{2!}.2.y_n\right\} + 2(1-n)\{xy_{n+1} + n.1.y_n\} - 2ny_n = 0$$

$\Rightarrow (x^2-1)y_{n+2} + 2nxy_{n+1} + (n^2-n)y_n + 2(1-n)xy_{n+1} + 2(1-n)ny_n - 2ny_n = 0$

$\Rightarrow (x^2-1)y_{n+2} + 2xy_{n+1} - n(n+1)y_n = 0$

৮নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = e^{\tan^{-1}x}$

$$\Rightarrow \log y = \tan^{-1}x$$

$$\therefore \frac{d}{dx}(\log y) = \frac{d}{dx}(\tan^{-1}x)$$

$$\Rightarrow \frac{1}{y}.y_1 = \frac{1}{1+x^2}$$

$$\Rightarrow (1+x^2)y_1 = y$$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত (n+1) বাৰ অৱকলন কৰি আমি পাওঁ,

$$(1+x^2)y_{n+2} + (n+1).2x.y_{n+1} + \frac{(n+1).n}{2!}.2.y_n = y_{n+1}$$

$\Rightarrow (1+x^2)y_{n+2} + \{2(n+1)x - 1\}y_{n+1} + n(n+1)y_n = 0$

৯নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = \tan^{-1}x$ ... ... (1)

$$\therefore y_1 = \frac{1}{1+x^2} \quad \text{... ... ... (2)}$$

$$\Rightarrow (1+x^2)y_1 = 1$$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$(1+x^2)y_2 + 2xy_1 = 0$ ... ... (3)

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত (3)ক n বাৰ অৱকলন কৰি আমি পাওঁ,

$$\left\{(1+x^2)y_{n+2} + n.2x.y_{n+1} + \frac{n(n-1)}{2!}.2y_n\right\} + 2\{xy_{n+1} + n.1.y_n\} = 0$$

$\Rightarrow (1+x^2)y_{n+2} + 2nxy_{n+1} + n(n-1)y_n + 2xy_{n+1} + 2ny_n = 0$

$\Rightarrow (1+x^2)y_{n+2} + 2(n+1)xy_{n+1} + \{n(n-1) + 2n\}n_n = 0$

$\Rightarrow (1+x^2)y_{n+2} + 2(n+1)xy_{n+1} + (n^2+n)y_n = 0$

$\Rightarrow (1+x^2)y_{n+2} + 2(n+1)xy_{n+1} + (n^2+1)y_n = 0$ ... ... (4)

x = 0 বহুৱাই, আমি পাওঁ, (1)ৰ পৰা y(0) = 0

(2)ৰ পৰা $y_1(0) = 1$

(3)ৰ পৰা $y_2(0) = 0$

(4)ৰ পৰা $y_{n+2}(0) = -n(n+1)y_n(0)$ ... ... (5)

(5)ত n = 1, 2, 3, ... বহুৱাই আমি পাওঁ,

$y_3(0) = -1.2.y_1(0) = -2!$

$y_4(0) = -2.3.y_2(0) = 0$

$y_5(0) = -3.4.y_3(0) = -3.4.(-2!) = 4!$

$y_6(0) = -4.5.y_4(0) = 0$

$y_7(0) = -5.6.y_5(0) = -5.6.(4!) = -6!$

এইদৰে ওলাই থাকিব।

এইদৰে, $y_n(0) = \begin{cases} 0 \text{ , যদি n যুগ্ম} \\ (-1)^{\frac{n-1}{2}}(n-1)! \text{ , যদি n অযুগ্ম} \end{cases}$

১০নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = \left\{\log\left(x+\sqrt{1+x^2}\right)\right\}^2$ ... ... (1)

$$y_1 = 2\log\left(x+\sqrt{1+x^2}\right)\frac{1}{x+\sqrt{1+x^2}}\left(1+\frac{1}{2\sqrt{1+x^2}}.2x\right)$$

$$\Rightarrow y_1 = \frac{2\sqrt{y}}{x+\sqrt{1+x^2}}.\frac{\sqrt{1+x^2}+x}{\sqrt{1+x^2}}$$

$\Rightarrow \sqrt{1+x^2}.y_1 = 2\sqrt{y}$

$\Rightarrow \left(1+x^2\right)y_1^{\,2} = 4y$ ... ... (2)

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$(1+x^2)2y_1y_2 + 2xy_1^{\,2} = 4y_1$

$\Rightarrow (1+x^2)y_2 + xy_1 - 4 = 0$ ... ... (3)

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত (3)ক n বাৰ অৱকলন কৰি আমি পাওঁ,

$$\left\{\left(1+x^2\right)y_{n+2} + n.2x.y_{n+1} + \frac{n(n-1)}{2!}.2.y_n\right\} + \left\{xy_{n+1} + n.1.y_n\right\} = 0$$

$\Rightarrow (1+x^2)y_{n+2} + (2n+1)xy_{n+1} + n^2y_n = 0$ ... ... (4)

(4)ত x = 0 বহুৱাই আমি পাওঁ, $(y_{n+2})_0 + 0 + n^2(y_n)_0 = 0$

$\Rightarrow (y_{n+2})_0 = -n^2(y_n)_0$

১১নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = e^x \log x$ ... ... (1)

$$y_1 = e^x \log x + e^x.\frac{1}{x}$$

$\Rightarrow y_1 = y + e^x.\frac{1}{x}$, (1)ৰ পৰা

$\Rightarrow xy_1 = xy + e^x$

$\Rightarrow xy_1 - xy = e^x$ ... ... (2)

(2)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$(xy_2+1.y_1) - (1.y+xy_1) = e^x$

$\Rightarrow xy_2 + y_1 - y - xy_1 = xy_1 - xy$, (2)ৰ পৰা

$\Rightarrow xy_2 + y_1 - 2xy_1 - y + xy = 0$

$\Rightarrow xy_2 - (2x-1)y_1 + (x-1)y = 0$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$\{xy_{n+2} + n.1.y_{n+1}\} - \{(2x-1)y_{n+1} + n.2.y_n\} + \{(x-1)y_n + n.1.y_{n-1}\} = 0$

$\Rightarrow xy_{n+2} + ny_{n+1} - (2x-1)y_{n+1} - 2ny_n(x-1)y_n + ny_{n-1} = 0$

$\Rightarrow xy_{n+2} + (n-2x+1)y_{n+1} - (2n-x+1)y_{n+1} + ny_{n-1} = 0$

১২নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = \frac{\sin^{-1} x}{\sqrt{1-x^2}}$

$$\Rightarrow y\sqrt{1-x^2} = \sin^{-1} x$$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$y_1\sqrt{1-x^2} + y.\frac{1}{2\sqrt{1-x^2}}(-2x) = \frac{1}{\sqrt{1-x^2}}$$

$\Rightarrow (1-x^2)y_1 - xy = 1$

আকৌ, x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$\{(1-x^2)y_2 + (-2x)y_1\} - \{xy_1 + 1.y\} = 0$

$\Rightarrow (1-x^2)y_2 - 3xy_1 - y = 0$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$$\left\{(1-x^2)y_{n+2} + n.(-2x)y_{n+1} + \frac{n(n-1)}{2!}(-2)y_n\right\} - 3\{xy_{n+1} + n.1.y_n) - y_n = 0$$

$\Rightarrow (1-x^2)y_{n+2} - 2nxy_{n+1} - (n^2-n)y_n - 3xy_{n+1} - 2ny_n - y_n = 0$

$\Rightarrow (1-x^2)y_{n+2} - (2n+3)xy_{n+1} - (n^2+2n+1)y_n = 0$

$\Rightarrow (1-x^2)y_{n+2} - (2n+3)xy_{n+1} - (n+1)^2y_n = 0$

১৩নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $x = \tan(\log y)$

$$\Rightarrow \tan^{-1} x = \log y$$

$$\therefore \frac{d}{dx}\left(\tan^{-1}x\right)=\frac{d}{dx}\left(\log y\right)$$

$$\Rightarrow \frac{1}{1+x^2}=\frac{1}{y}.y_1$$

$$\Rightarrow (1+x^2)y_1 = y$$

লাইবনিৎজৰ উপপাদ্যৰ সহায়ত n বাৰ অৱকলন কৰি আমি পাওঁ,

$$\left(1+x^2\right)y_{n+1}+n.2x.y_n+\frac{n(n-1)}{2!}.2y_{n-1}=y_n$$

$$\Rightarrow (1+x^2)y_{n+1} + 2nxy_n + n(n-1)y_{n-1} - y_n = 0$$

$$\Rightarrow (1+x^2)y_{n+1} + (2nx - 1)y_n + n(n-1)y_{n-1} = 0$$

$$\Rightarrow \left(1+x^2\right)y_{n+1}+\left(2nx-1\right)y_n+n(n-1)y_{n-1}=0$$

৮.৭ অধিক জানিবলৈ

1) Avez, A.: *An Elementary Treatise on Differential Calculus*; Princeton: Princeton University Press, 2001.
2) Rao, S. (2004): *Differential Calculus*; Berkeley: University of California Press.



৮.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ nতম অৱকলজ উলিয়াওক।

a) $y = e^{ax}x^2$ b) $y = \log(1+x)$ c) $y=\frac{1-x}{1+x}$

d) $y = \sin x$ e) $y = e^x(2x+3)^3$

প্ৰশ্ন ২ ঃ যদি $y=\tan^{-1}\left(\frac{1+x}{1-x}\right)$, দেখুৱাওক যে nতম অৱকলজ হ'ল—

$y_n = (-1)^{n-1}(n-1)!\sin^n\theta\sin n\theta$, য'ত $\theta = \cot^{-1}x$.

প্ৰশ্ন ৩ ঃ যদি $\cos^{-1}\left(\frac{y}{b}\right)=\log\left(\frac{x}{n}\right)^n$, প্ৰমাণ কৰক যে,

$x^2y_{n+2} + (2n+1)xy_{n+1} + 2n^2y_n = 0$.

প্ৰশ্ন ৪ ঃ $y_n(0)$ নিৰ্ণয় কৰক, যদি $y = (\sin^{-1}x)^2$.

প্ৰশ্ন ৫ ঃ $y_n(0)$ নিৰ্ণয় কৰক, যদি $y = e^{m\sin^{-1}x}$.

প্ৰশ্ন ৬ ঃ যদি $y^{\frac{1}{m}} + y^{-\frac{1}{m}} = 2x$, প্ৰমাণ কৰক যে,

$(x^2-1)y_{n+2} + (2n+1)xy_{n+1} + (n^2-m^2)y_n = 0.$

প্ৰশ্ন ৭ ঃ $y_n(0)$ নিৰ্ণয় কৰক, যদি $y = \cos(m \sin^{-1}x)$.

প্ৰশ্ন ৮ ঃ যদি $\sin^{-1}y = 2\log(x+1)$, দেখুওৱাক যে

$(x+1)^2y_{n+2} + (2n+1)(x+1)y_{n+1} + (n^2+4)y_n = 0.$

প্ৰশ্ন ৯ ঃ অধোলিখিতবোৰৰ nতম অৱকলজ উলিয়াওক।

a) $\frac{x+1}{x^2-4}$ b) $\frac{x^4}{(x-1)(x-2)}$

c) $\log x^2$ d) $e^x \sin 4x \cos 6x$

প্ৰশ্ন ১০ ঃ যদি $y = (x^2-1)^n$, দেখুওৱাক যে, $(x^2-1)y_{n+2} + 2xy - n(n+1)y_n = 0.$

প্ৰশ্ন ১১ ঃ যদি $y = \left[\log_e\left(x + \sqrt{a^2+x^2}\right)\right]^2$, প্ৰমাণ কৰক যে

$(a^2+x^2)y_{n+2} + (2n+1)xy_{n+1} + n^2y = 0.$

প্ৰশ্ন ১২ ঃ যদি $y = e^{\tan^{-1}x}$, প্ৰমাণ কৰক যে, $(1+x^2)y_{n+2} + (2nx-1)xy_{n+1} + n(n-1)y_n = 0.$

প্ৰশ্ন ১৩ ঃ যদি $y = \frac{\sin^{-1}x}{\sqrt{1-x^2}}$, $y_{n+1}(0)$ৰ সহায়ত $y_{n-1}(0)$ৰ মান নিৰ্ণয় কৰক।

*** ***** ***

অধ্যায় ৯ ঃ অৱকলজৰ প্ৰয়োগ

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য
9.2 পৰিচয়
9.3 বৰ্ধমান আৰু হ্ৰাসমান ফলন
9.4 পৰিৱৰ্তনৰ হাৰ হিচাপে অৱকলজ
9.5 ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান
    9.5.1 গৰিষ্ঠ বা লঘিষ্ঠ মান উলিওৱাৰ পদ্ধতি
9.6 গৰিষ্ঠ আৰু লঘিষ্ঠ মানৰ প্ৰয়োগ
9.7 বক্ৰতা
    9.7.1 সংজ্ঞা
    9.7.2 বক্ৰতা ব্যাসাৰ্ধ
    9.7.3 কার্টেজীয় বক্ৰৰ বাবে বক্ৰতা ব্যাসাৰ্ধ
    9.7.4 ধ্ৰুৱীয় আকাৰত বক্ৰতা ব্যাসাৰ্ধ
9.8 স্পৰ্শক আৰু অভিলম্ব
    9.8.1 স্পৰ্শক আৰু অভিলম্বৰ সমীকৰণ
9.9 অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
9.10 অগ্ৰগতিৰ খতিয়ান
9.11 অধিক জানিবলৈ
9.12 আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- যিবোৰ অন্তৰালত ফলন এটা বৰ্ধমান বা হ্ৰাসমান, সেয়া নিৰ্ণয় কৰিবলৈ সমৰ্থ হ'ব
- দৈৰ্ঘ্য, কালি, আয়তন ইত্যাদিৰ বৃদ্ধি বা হ্ৰাসৰ হাৰ নিৰ্ণয় কৰিবলৈ সমৰ্থ হ'ব
- কোনো বক্ৰৰ যিবোৰ বিন্দুত গৰিষ্ঠ বা লঘিষ্ঠ মান থাকে, সেই বিন্দুবোৰ নিৰ্ণয় কৰিব পাৰিব
- কোনো বক্ৰৰ কোনো বিন্দুত বক্ৰটোৰ বক্ৰতা উলিয়াব পাৰিব
- কোনো নিৰ্দিষ্ট বক্ৰৰ কোনো নিৰ্দিষ্ট বিন্দুত স্পৰ্শক আৰু অভিলম্বৰ সমীকৰণ উলিয়াব পাৰিব।

৯.৩ পৰিচয়

এই অধ্যায়ত আমি অৱকলজৰ চিনৰ দ্বাৰা পৰিচালিত হোৱা ফলনৰ প্ৰকৃতি সম্বন্ধে আলোচনা কৰিম। যদি ফলনৰ লেখটো ঊৰ্দ্ধমুখী দিশত বা নিম্নমুখী দিশত থাকে, ফলনটোক একদিষ্ট ফলন (Monotonic Function) বুলি কোৱা হয়। আকৌ, ফলনটোৰ আদিক্ষেত্ৰৰ যিবোৰ বিন্দুত ফলনটোৱে ঊৰ্দ্ধমুখী দিশৰ পৰা নিম্নমুখী দিশলৈ বা নিম্নমুখী দিশৰ পৰা ঊৰ্দ্ধমুখী দিশলৈ দিশ সলনি কৰে, সেই বিন্দুবোৰ সম্বন্ধে আলোচনা কৰিম। এই বিন্দুবোৰত ফলনটোৰ অৱকলজ, যদি থাকে, শূন্য হয়। আকৌ, অৱকলজৰ সহায়ত কোনো বক্ৰৰ এটা নিৰ্দিষ্ট বিন্দুত স্পৰ্শক আৰু অভিলম্বৰ সমীকৰণ উলিয়াম। আকৌ, অৱকলজৰ সহায়ত আমি বক্ৰৰ বক্ৰতা নিৰ্ণয় কৰিম।


৯.৩ বৰ্ধমান আৰু হ্ৰাসমান ফলন

যদি গোটেই আদি ক্ষেত্ৰটোত ফলন এটা বৰ্ধমান বা হ্ৰাসমান হয়, তেনেহ'লে ফলনটোক একদিষ্ট ফলন বুলি কোৱা হয়। $f(x) = e^x$, $f(x) = 2x + 5$ বৰ্ধমান ফলনৰ দুটা উদাহৰণ। আনহাতেদি, $f(x) = -x^5$, $f(x) = e^{-x}$ হ্ৰাসমান ফলনৰ দুটা উদাহৰণ।


ফলন এটা $x = a$ বিন্দুত একদিষ্টভাৱে বৰ্ধমান বুলি কোৱা হয় যদি কোনো ক্ষুদ্ৰ ধনাত্মক সংখ্যা h-ৰ বাবে $f(a+h) > f(a)$ আৰু $f(a-h) < f(a)$ চিত্ৰ 9.1।

ফলন এটা $x = a$ বিন্দুত একদিষ্টভাৱে হ্ৰাসমান বুলি কোৱা হয় যদি কোনো ক্ষুদ্ৰ ধনাত্মক সংখ্যা h-ৰ বাবে $f(a+h) < f(a)$ আৰু $f(a-h) > f(a)$ চিত্ৰ 9.2।


চিত্ৰ 9.3ত $f(x)$ ফলনটো একদিষ্টভাৱে বৰ্ধমানো নহয়, হ্ৰাসমানো নহয়।



চিত্ৰ 9.1



চিত্ৰ 9.2



চিত্ৰ 9.3

$f(x)$ ফলন বৰ্ধমান বা হ্ৰাসমান হোৱাৰ চর্ত ঃ

ধৰা হ'ল, $f(x)$ এটা বৰ্ধমান ফলন

$h > 0$ আৰু $h \to 0$-ৰ বাবে $f(x+h) > f(x)$

$$\Rightarrow \frac{f(x+h)-f(x)}{h} > 0,\ h > 0 \text{ আৰু } h \to 0\text{-ৰ বাবে}$$

$$\therefore \lim_{h \to 0} \frac{f(x+h)-f(x)}{h} \geq 0$$

$\Rightarrow f'(x) \geq 0$ বিপৰীতভাৱেও কথাটো সত্য।

$\therefore$ xত f(x) ফলনটো বৰ্ধমান হ'ব যদি আৰু যদিহে $f'(x) \geq 0$। সেইদৰে xত ফলনটো হ্ৰাসমান হ'ব যদি আৰু যদিহে $f'(x) \leq 0$।

টোকা ঃ একদিষ্ট ফলন প্ৰতিলোমনীয়। বিপৰীতটোৱো সত্য।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: দেখুওৱাক যে $0 < x < \frac{\pi}{2}$ৰ বাবে $f(x) = \frac{x}{\sin x}$ বৰ্ধমান।

সমাধান ঃ $f(x) = \frac{x}{\sin x}$

$$\Rightarrow f'(x) = \frac{\sin x - x\cos x}{\sin^2 x}$$

$$= \frac{\cos x(\tan x - x)}{\sin^2 x}$$

$$> 0 \left[\because 0 < x < \frac{\pi}{2}, \therefore \cos x > 0, \sin^2 x > 0 \text{ আৰু } \tan x > x\right]$$

$\therefore$ $0 < x < \frac{\pi}{2}$ অন্তৰালত একদিষ্ট বৰ্ধমান f'(x)।

উদাহৰণ 2 : দেখুওৱাক যে $f(x) = x - \sin x$ এটা বৰ্ধমান ফলন।

সমাধান ঃ $f(x) = x - \sin x$

$\Rightarrow f'(x) = 1 - \cos x$

$\Rightarrow x = 0, \pm 2\pi, \pm 4\pi$ আদিৰ বাহিৰে অন্য সকলো বিন্দুতে $f'(x) > 0$

যিহেতু $\pm 2\pi, \pm 4\pi$ আদি বিন্দুবোৰ বিচ্ছিন্ন আৰু ইহঁতে কোনো অন্তৰাল গঠন নকৰে, $x \in R$-ৰ বাবে f(x) এটা একদিষ্টভাৱে বৰ্ধমান ফলন।

উদাহৰণ 3 : দেখুওৱাক যে $x - \frac{x^2}{2} < \log(1+x) < x - \frac{x^2}{2(1+x)}$ for $x > 0$

সমাধান ঃ ধৰা হ'ল, $f(x) = \log(1+x) - \left(x - \frac{x^2}{2}\right)$

$$\Rightarrow f'(x) = \frac{1}{1+x} - (1-x)$$

$$= \frac{1-(1-x^2)}{1+x}$$

$$= \frac{x^2}{1+x} > 0, \; x > 0\text{-ৰ বাবে}$$

$\therefore$ $x > 0$-ৰ বাবে f(x) এটা বৰ্ধমান ফলন।

আকৌ, $f(0) = 0$

$\therefore$ x > 0-ৰ বাবে f(x) > 0

$\Rightarrow \log(1+x) > x - \frac{x^2}{2}$ for x > 0 ... ... (1)

ধৰা হ'ল, $g(x) = \left\{x - \frac{x^2}{2(1+x)}\right\} - \log(1+x)$

$$\Rightarrow g'(x) = 1 - \frac{2(1+x).2x - x^2.2}{\{2(1+x)\}^2} - \frac{1}{1+x}$$

$$= 1 - \frac{2x + x^2}{2(1+x)^2} - \frac{1}{1+x}$$

$$= \frac{2(1+x)^2 - (2x + x^2) - 2(1+x)}{2(1+x)^2}$$

$$= \frac{2 + 4x + 2x^2 - 2x - x^2 - 2 - 2x}{2(1+x)^2}$$

$$= \frac{x^2}{2(1+x)^2} > 0,\ x > 0\text{-ৰ বাবে}$$

$\Rightarrow$ x > 0-ৰ বাবে g(x) এটা বৰ্ধমান ফলন। কিন্তু g(0) = 0

$\therefore$ x > 0-ৰ বাবে g(x) > 0

$\Rightarrow x - \frac{x^2}{2(1+x)} > \log(1+x),\ x > 0$ ... ... (2)

(1) আৰু (2) লগ লগাই আমি পাওঁ,

$$x - \frac{x^2}{2} < \log(1+x) < x - \frac{x^2}{2(1+x)},\ x > 0\text{-ৰ বাবে}$$

উদাহৰণ 4: $f(x) = 2x^3 - 15x^2 + 36x + 1$ ফলনটো কোনবোৰ অন্তৰালত বৰ্ধমান বা হ্ৰাসমান নিৰ্ণয় কৰক।

সমাধান ঃ দিয়া আছে, $f(x) = 2x^3 - 15x^2 + 36x + 1$

$$\Rightarrow f'(x) = 6x^2 - 30x + 36$$

$$= 6(x^2 - 5x + 6)$$

$$= 6(x-2)(x-3)$$

এতিয়া, $f'(x) > 0 \Rightarrow 6(x-2)(x-3) > 0$

$\Rightarrow$ (x–2 > 0 আৰু x–3 > 0) বা (x–2 < 0 আৰু x–3 < 0)

$\Rightarrow$ (x > 2 আৰু x > 3) বা (x < 2 আৰু x < 3)

$\Rightarrow$ x > 3 বা x < 2

$\therefore\ ]-\infty, 2[\cup]3, \infty[$ অন্তৰালত f(x)ত বৰ্ধমান।

আকৌ, $f'(x) < 0 \Rightarrow 6(x-2)(x-3) < 0$


$\Rightarrow (x-2 > 0$ আৰু $x-3 < 0)$ বা $(x-2 < 0$ আৰু $x-3 > 0)$

$\Rightarrow (x > 2$ আৰু $x < 3)$ বা $(x < 2$ আৰু $x > 3)$

$\Rightarrow x > 2$ বা $x < 3$

$\Rightarrow 2 < x < 3$

$\therefore$]2, 3[অন্তৰালত f(x)ত হ্ৰাসমান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দেখুওৱাক যে সকলো x-ৰ বাবে $f(x) = x^3 - 3x^2 + 3x + 2$ এটা বৰ্ধমান ফলন।

প্ৰশ্ন নং ২ ঃ যদি $x > 0$, দেখুওৱাক যে

a) $\frac{x}{1+x} < \log(1+x) < x$ b) $x - \frac{x^2}{2(1+x)} > \log(1+x)$

প্ৰশ্ন নং ৩ ঃ অধোলিখিত ফলনবোৰ কোনবোৰ অন্তৰালত বৰ্ধমান বা হ্ৰাসমান নিৰ্ণয় কৰক।

a) $f(x) = 2x^3 - 9x^2 - 168x + 36$

b) $f(x) = \frac{\log x}{x}$ for $x > 0$

c) $f(x) = 2x^3 - 15x^2 - 84x + 7$

৯.৪ পৰিৱৰ্তনৰ হাৰ হিচাপে অৱকলজ

স্বতন্ত্ৰ চলক x-ৰ সাপেক্ষে $y = f(x)$ ফলনৰ অৱকলজ হ'ল x-ৰ পৰিৱৰ্তন সাপেক্ষে y-ৰ পৰিৱৰ্তনৰ হাৰ। ধৰা হ'ল x-ৰ মানৰ এক ক্ষুদ্ৰ পৰিৱৰ্তন Δx আৰু ধৰা হ'ল, y-ৰ মানৰ অনুৰূপ ক্ষুদ্ৰ পৰিৱৰ্তন Δy, তেনেহ'লে,

$y + \Delta y = f(x+\Delta x)$

$\Rightarrow \Delta y = f(x+\Delta x) - y$

$\Rightarrow \Delta y = f(x+\Delta x) - f(x)$

$\Rightarrow \frac{\Delta y}{\Delta x} = \frac{f(x+\Delta x) - f(x)}{\Delta x}$,

ইয়াৰ পৰা x সাপেক্ষে y-ৰ গড় পৰিৱৰ্তনৰ হাৰ পোৱা যায়।

গতিকে, x-ৰ পৰিৱৰ্তন সাপেক্ষে y-ৰ তাৎক্ষণিক পৰিৱৰ্তনৰ হাৰ

$$= \lim_{\Delta x \to 0} \frac{f(x+\Delta x)-f(x)}{\Delta x} = f'(x)$$

$\therefore$ $f'(x)$এ x সাপেক্ষে f(x)-ৰ পৰিৱৰ্তনৰ হাৰ বুজায়।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: এটা গোলকীয় বেলুনৰ আয়তন ছেকেণ্ডত 25 cm^3কৈ বাঢ়ে। যেতিয়া গোলকটোৰ ব্যাসার্ধ 5 cm, তেতিয়া ইয়াৰ পৃষ্ঠ কালি কি হাৰত বাঢ়ে নির্ণয় কৰক।

সমাধান ঃ ধৰা হ'ল, যিকোনো সময় t ত,

বেলুনৰ ব্যাসার্ধ = r

বেলুনৰ পৃষ্ঠকালি = S

বেলুনৰ আয়তন = V

তেনেহ'লে, $S = 4\pi r^2$

$$V = \frac{4}{3}\pi r^3$$

এতিয়া, $\frac{dV}{dt} = \frac{d}{dt}\left(\frac{4}{3}\pi r^3\right)$

$$\Rightarrow \frac{dV}{dt} = \frac{4}{3}\left(\pi.3r^2\right)\frac{dr}{dt}$$

$$\Rightarrow \frac{dV}{dt} = 4\pi r^2 \frac{dr}{dt}$$

$$\Rightarrow \frac{dr}{dt} = \frac{1}{4\pi r^2}.\frac{dV}{dt} \qquad \text{... ... ... (1)}$$

আকৌ, $\frac{dS}{dt} = \frac{d}{dt}\left(4\pi r^2\right)$

$$= 4\pi(2r)\frac{dr}{dt}$$

$$= 8\pi r.\frac{1}{4\pi r^2}\frac{dV}{dt}, \text{ (1)-ৰ সহায়ত}$$

$$= \frac{2}{r}\frac{dV}{dt}$$

দিয়া আছে, $\frac{dV}{dt} = 25cm^3/s$ আৰু r = 5 cm

$$\therefore \frac{dS}{dt} = \frac{2}{5}\times 25\,cm^2/s$$

$$= 10\ cm^2/sec$$

উদাহৰণ 2: দুটা বৰ্গৰ বাহু ক্ৰমে x আৰু y আৰু $y = x - x^2$. প্ৰথম বৰ্গৰ কালি সাপেক্ষে দ্বিতীয় বৰ্গৰ কালিৰ পৰিৱৰ্তনৰ হাৰ নিৰ্ণয় কৰক।

সমাধান ঃ ধৰা হ'ল, x বাহুবিশিষ্ট বৰ্গৰ কালি A আৰু y বাহু বিশিষ্ট বৰ্গৰ কালি S.

$\therefore A = x^2$ আৰু $S = y^2$, $\frac{dS}{dA}$ নিৰ্ণয় কৰিব লাগে।

এতিয়া, $\frac{dS}{dx} = \frac{d}{dx}\left(y^2\right)$

$= \frac{d}{dx}\left(x - x^2\right)^2$ $[\because y = x - x^2$, দিয়া আছে]

$= \frac{d}{dx}\left(x^2 - 2x^3 + x^4\right)$

$= 2x - 6x^2 + 4x^3$ ... . (1)

আকৌ, $\frac{dA}{dx} = \frac{d}{dx}\left(x^2\right) = 2x$ ... ... (2)

$$\therefore \frac{dS}{dA} = \frac{\frac{dS}{dx}}{\frac{dA}{dx}} = \frac{2x - 6x^2 + 4x^3}{2x}$$

$= 1 - 3x + 2x^2$

উদাহৰণ 3: এটা শঙ্কুৰ আকৃতিৰ পাত্ৰৰ উচ্চতা 10 মিটাৰ আৰু ভূমিৰ ব্যাসাৰ্ধ উচ্চতাৰ আধা। পাত্ৰটো মিনিটত $1.5m^3$ সুষম হাৰে তৰল পদাৰ্থৰে পূৰ কৰিবলৈ লোৱা হ'ল। পানীৰ স্তৰ কি হাৰত বাঢ়ে নিৰ্ণয় কৰক, যেতিয়া ই পাত্ৰটোৰ ওপৰৰ পৰা 3 মিটাৰ তলত থাকে।

সমাধান ঃ ধৰা হ'ল শঙ্কুটো OAB আৰু ইয়াৰ উচ্চতা OC =10m

ভূমিৰ ব্যাসাৰ্ধ, $AC = \frac{1}{2}OC$

$= 5m$


ধৰা হ'ল, যিকোনো মুহূৰ্ত t ত পাত্ৰটোত থকা জলীয় পদাৰ্থই ODE শঙ্কু গঠন কৰে। ধৰা হ'ল, t সময়ত শঙ্কুটোৰ ভূমিৰ ব্যাসাৰ্ধ r আৰু উচ্চতা h.

তেনেহ'লে, $\frac{DF}{AC} = \frac{OF}{OC}$ $[\because \Delta OAC$ আৰু ΔODF সদৃশ]

$\Rightarrow \frac{r}{5} = \frac{h}{10}$

$\Rightarrow r = \frac{h}{2}$ ... ... (1)

ধৰা হ'ল, t সময়ত তৰল শঙ্কুটোৰ আয়তন V.



গতিকে, $V=\frac{1}{3}\pi r^2 h$

$= \frac{1}{3}\pi\left(\frac{h}{2}\right)^2 h$, (1)-ৰ সহায়ত

$= \frac{1}{12}\pi h^3$

$\Rightarrow \frac{dV}{dt} = \frac{d}{dt}\left(\frac{\pi h^3}{12}\right)$

$= \frac{\pi}{12}.3h^2\frac{dh}{dt}$

$= \frac{\pi h^2}{4}\frac{dh}{dt}$

$\Rightarrow \frac{dh}{dt} = \frac{4}{\pi h^2}\frac{dV}{dt}$ ... ... (2)

দিয়া আছে, $\frac{dV}{dt} = 1.5\ m^3/min$

$h = (10 - 3)m = 7m$

$\therefore (2) \Rightarrow \frac{dh}{dt} = \frac{4}{\pi(7)^2}\times 1.5\ m/min$

$= \frac{6}{49\pi} m/min$

উদাহৰণ 4: এটা আয়তৰ দৈর্ঘ্য প্রতি ছেকেণ্ডত 3.5cmকৈ বাঢ়ে আৰু প্রস্থ প্রতি ছেকেণ্ডত 3cmকৈ কমে। আয়তটোৰ দৈর্ঘ্য যেতিয়া 12cm আৰু প্রস্থ 8cm, তেতিয়া আয়ত ক্ষেত্রটোৰ কালিৰ পৰিৱর্তনৰ হাৰ নির্ণয় কৰক।

সমাধান ঃ ধৰা হ'ল, যিকোনো মুহূর্ত t,

আয়তটোৰ দৈর্ঘ্য = x

প্রস্থ = y

আয়ত ক্ষেত্রটোৰ কালি = A

$\therefore A = xy$

$\Rightarrow \frac{d}{dt}(A) = \frac{d}{dt}(xy)$

$\Rightarrow \frac{dA}{dt} = x\frac{dy}{dt} + y\frac{dx}{dt}$ ... ... (1)

দিয়া আছে, $\frac{dx}{dt} = 3.5 \text{ cm/sec}$

$$\frac{dy}{dt} = -3 \text{ cm/sec}$$

$\therefore (1) \Rightarrow \frac{dA}{dt} = (-3x + 3.5y) \text{ cm/sec}$


যেতিয়া x = 12 cm, y = 8 cm, আমি পাওঁ,

$\frac{dA}{dt} = (-3 \times 12 + 3.5 \times 8) \text{ cm}^2/\text{sec}$

= (–36+28) cm^2/sec

= –8 cm^2/sec

আয়ত ক্ষেত্রটোৰ কালিৰ পৰিৱৰ্তন হাৰ ছেকেণ্ডত 8 cm^2.



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ ব্যাসার্ধৰ পৰিৱৰ্তন সাপেক্ষে r ব্যাসার্ধৰ এটা গোলকৰ আয়তন V-ৰ পৰিৱৰ্তনৰ হাৰ নিৰ্ণয় কৰক।

প্রশ্ন নং ৫ ঃ এটা গোলকীয় বেলুনৰ আয়তন ছেকেণ্ডত 20 cm^3কৈ বাঢ়ে। যেতিয়া গোলকটোৰ ব্যাসার্ধ 4 cm, তেতিয়া ইয়াৰ পৃষ্ঠ কালি কি হাৰত বাঢ়ে নিৰ্ণয় কৰক।

প্রশ্ন নং ৬ ঃ এটা স্থিৰ হ্রদত শিলগুটি এটা দলিয়াই দিয়া হ'ল। ঢৌবোৰে বৃত্তৰ আকাৰত ছেকেণ্ডত 3.5 cm দ্রুতিৰে গতি কৰে। যি মুহূর্তত বৃত্তাকাৰ ঢৌৰ ব্যাসার্ধ 7.5 cm, সেই সময়ত কালি কি হাৰত বাঢ়ে নিৰ্ণয় কৰক।

প্রশ্ন নং ৭ ঃ এডাল পাইপৰ পৰা ছেকেণ্ডত 9 cm^3হাৰত বালি পৰি আছে। বালিবোৰে এটা শঙ্কুৰ ৰূপ লয় আৰু শংকুটোৰ উচ্চতা ভূমিৰ ব্যাসার্ধৰ এক-ষষ্ঠাংশ। শঙ্কুটোৰ উচ্চতা কি হাৰত বাঢ়ে নিৰ্ণয় কৰক যদি উচ্চতা 3 cm.

প্রশ্ন নং ৮ ঃ $y^2 = 8x$ বক্ৰৰ যিটো বিন্দুত ভুজ আৰু কোটি একে হাৰত পৰিৱর্তিত হয়, সেই বিন্দুটো নিৰ্ণয় কৰক।


প্রশ্ন নং ৯ ঃ এজন মানুহৰ উচ্চতা 2m আৰু এটা লেম্প পষ্টৰ উচ্চতা 6m. মানুহজনে ঘণ্টাত 6km সম দ্রুতিৰে লেম্প পষ্টটোৰ পৰা খোজ কাঢ়ি আহি আছে। মানুহজনৰ ছাঁ কি হাৰত বাঢ়ে নিৰ্ণয় কৰক। ছাঁটোৰ টুপটো লেম্প পষ্টটোৰ পৰা কি হাৰত আঁতৰি আহি আছে নিৰ্ণয় কৰক।

প্রশ্ন নং ১০ ঃ এটা ঘনৰ দাঁতি ছেকেণ্ডত 3cm কৈ বাঢ়ে। যেতিয়া দাঁতি 10cm, তেতিয়া ঘনটোৰ আয়তন কি হাৰত বাঢ়ে নিৰ্ণয় কৰক।

৯.৫ ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান


এটা ফলন f(x)-ৰ x = aত গৰিষ্ঠ মান (Maximum) থাকে। যদি x = a-ৰ নিকটতম সামীপ্যত f(x)এ লোৱা সকলো মানতকৈ f(a) ডাঙৰ।

ইয়াৰ অর্থ এইটোৱেই যে অতি ক্ষুদ্ৰ ধনাত্মক h-ৰ বাবে f(a) > f(a+h) আৰু f(a) > f(a–h) (চিত্ৰ 9.4 দ্ৰষ্টব্য)।



স্থানীয় গৰিষ্ঠ

চিত্ৰ 9.4



স্থানীয় লঘিষ্ঠ

চিত্ৰ 9.5

সেইদৰে এটা ফলন f(x)-ৰ x = bত লঘিষ্ঠ মান (Minimum) থাকে যদি x = b-ৰ নিকটতম সামীপ্যত f(x)এ লোৱা সকলো মানতকৈ f(b) সৰু।

ইয়াৰ অর্থ এইটোৱেই যে অতি ক্ষুদ্ৰ ধনাত্মক h অৰ বাবে f(b) < f(b+h) আৰু f(b) < f(b–h) (চিত্ৰ 9.5 দ্ৰষ্টব্য)।

জ্যামিতীয়ভাৱে, এটা বিন্দুত অবিচ্ছিন্ন কোনো ফলন f-ৰ সেই বিন্দুত গৰিষ্ঠ বা লঘিষ্ঠ মান থাকিব যদিহে যথাক্ৰমে সেই বিন্দুত লেখটোৰ এটা শীর্ষ (Peak) বা গুহিকা (Cavity) থাকে।

টোকা ঃ i) ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মানক যথাক্ৰমে স্থানীয় (আপেক্ষিক) গৰিষ্ঠ মান বা স্থানীয় (আপেক্ষিক) লঘিষ্ঠ মান বুলি কোৱা হয়, কিয়নো বিন্দুটোৰ কোনো সামীপ্য সাপেক্ষে এইবোৰ ক্ৰমে গৰিষ্ঠ আৰু লঘিষ্ঠ মান। গৰিষ্ঠ আৰু লঘিষ্ঠ মানৰ বাবে চৰম মান (Extremum) শব্দটোৱো ব্যৱহাৰ কৰা হয়।

ii) এটা বিন্দুত স্থানীয় গৰিষ্ঠ মান আন এটা বিন্দুত স্থানীয় লঘিষ্ঠ মানতকৈ সৰু হ'ব পাৰে।

iii) এটা ফলনৰ কেবাটাও গৰিষ্ঠ আৰু লঘিষ্ঠ মান থাকিব পাৰে। এটা অবিচ্ছিন্ন ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান এটাৰ পিছত এটাকৈ ওলায়।

iv) গৰিষ্ঠ মানত, f(x) ফলনটো বর্ধমানৰ পৰা হ্ৰাসমানলৈ সলনি হয় আৰু লঘিষ্ঠ মানত ফলনটো হ্ৰাসমানৰ পৰা বর্ধমানলৈ সলনি হয়।

৯.৫.১ গৰিষ্ঠ মান বা লঘিষ্ঠ মান উলিওৱাৰ পদ্ধতি

প্ৰথম পদ্ধতি ঃ

1) $\frac{dy}{dx}$ নিৰ্ণয় কৰক।

2) x-ৰ বাস্তৱ মানৰ বাবে $\frac{dy}{dx} = 0$ সমাধান কৰক। ধৰা হ'ল এই মানবোৰ a, b, c আদি।

3) $x = a$ লোৱা যাওক। a-ৰ একেবাৰে ওচৰৰ সৰু আৰু ডাঙৰ মানৰ বাবে $\frac{dy}{dx}$-ৰ চিন চোৱা যাওক।

   i) যদি $\frac{dy}{dx}$-ৰ চিন ধনাত্মকৰ পৰা ঋণাত্মকলৈ সলনি হয়, $x = a$ বিন্দুত $f(x)$ লঘিষ্ঠ।

   ii) যদি $\frac{dy}{dx}$-ৰ চিন ঋণাত্মকৰ পৰা ধনাত্মকলৈ সলনি হয়, $x = a$ৰ বিন্দুত $f(x)$ লঘিষ্ঠ।

   iii) যদি $\frac{dy}{dx}$-ৰ চিন সলনি নহয়, তেনেহ'লে $x = a$ বিন্দুত গৰিষ্ঠ মানো নাই, লঘিষ্ঠ মানো নাই।

দ্বিতীয় পদ্ধতি ঃ

(1) আৰু (2) প্ৰথম পদ্ধতিৰ দৰেই।

3) $\frac{d^2y}{dx^2}$ নিৰ্ণয় কৰক আৰু মান বহুৱাওক। $x = a$ লোৱা হ'ল।

   i) যদি $x = a$ত $\frac{d^2y}{dx^2} < 0$ তেনেহ'লে, $x = a$ত $f(x)$ গৰিষ্ঠ।

   ii) যদি $x = a$ত $\frac{d^2y}{dx^2} > 0$ তেনেহ'লে, $x = a$ত $f(x)$ লঘিষ্ঠ।

   iii) যদি $x = a$ত $\frac{d^2y}{dx^2} = 0$, কিন্তু $\frac{d^3y}{dx^3} \neq 0$, তেনেহ'লে $x = a$ত গৰিষ্ঠ মানো নাই, লঘিষ্ঠ মানো নাই।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1 : $x^5 - 5x^4 + 5x^3 - 1$ ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান নিৰ্ণয় কৰক।

সমাধান ঃ ধৰা হ'ল, $y = x^5 - 5x^4 + 5x^3 - 1$

$$\therefore \frac{dy}{dx} = 5x^4 - 20x^3 + 15x^2$$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে $\frac{dy}{dx} = 0$

$\Rightarrow 5x^4 - 20x^3 + 15x^2 = 0$

$\Rightarrow 5x^2(x^2-4x+3) = 0$

$\Rightarrow 5x^2(x-1)(x-3) = 0$

$\Rightarrow x = 0, x = 1, x = 3$

$x = 0$ লোৱা হ'ল।

ধৰা হ'ল, δ এটা অতি সৰু ধনাত্মক সংখ্যা।

যেতিয়া, $x = 0 - \delta$, আমি পাওঁ,

$$\frac{dy}{dx} = 5(0-\delta)^2(0-\delta-1)(0-\delta-3)$$

$$= 5\delta^2(\delta+1)(\delta+3) > 0$$

যেতিয়া, $x = 0 + \delta$, আমি পাওঁ,

$$\frac{dy}{dx} = 5(0+\delta)^2(0+\delta-1)(0+\delta-3)$$

$$= 5\delta^2(\delta-1)(\delta-3)$$

$$>0$$

$\therefore \frac{dy}{dx}$-ৰ চিনৰ কোনো পৰিৱৰ্তন নাই।

গতিকে, $x = 0$ত ফলনটোৰ গৰিষ্ঠ মানো নাই, লঘিষ্ঠ মানো নাই।

$x = 1$ লোৱা হ'ল।

যেতিয়া, $x = 1-\delta$, আমি পাওঁ,

$$\frac{dy}{dx} = 5(1-\delta)^2(1-\delta-1)(1-\delta-3)$$

$$= 5(1-\delta)^2(-\delta)(-\delta-2)$$

$$> 0$$

যেতিয়া, $x = 1 + \delta$, আমি পাওঁ,

$$\frac{dy}{dx} = 5(1+\delta)^2(1+\delta-1)(1+\delta-3)$$

$$= 5(1+\delta)^2\delta(\delta-2)$$

$$< 0$$

গতিকে, $\frac{dy}{dx}$-ৰ চিন ধনাত্মকৰ পৰা ঋণাত্মকলৈ সলনি হয়। গতিকে ফলনটো $x = 1$ বিন্দুত গৰিষ্ঠ আৰু গৰিষ্ঠ মান $= 1^5-5(1)^4 + 5(1)^3 - 1$

$= 0$

$x = 3$ লোৱা হ'ল।

যেতিয়া, $x = 3 - \delta$, আমি পাওঁ,

$$\frac{dy}{dx} = 5(3-\delta)^2(3-\delta-3)(3-\delta-1)$$

$$= 5(3-\delta)^2(-\delta)(-\delta+2)$$

$$< 0$$

যেতিয়া $x = 3 + \delta$, আমি পাওঁ,

$$\frac{dy}{dx} = 5(3+\delta)^2(3+\delta-3)(3+\delta-1)$$

$$= 5(3+\delta)^2(\delta)(\delta+2)$$

$$> 0$$

$\therefore$ গতিকে, $\frac{dy}{dx}$-ৰ চিন ঋণাত্মকৰ পৰা ধনাত্মকলৈ সলনি হয়।

$\therefore$ ফলনটো $x = 3$ বিন্দুত লঘিষ্ঠ আৰু লঘিষ্ঠ মান $= 3^5 - 5(3)^4 + 5(3)^3 - 1$

$$= 243 - 405 + 135 - 1$$

$$= -28$$

উদাহৰণ 2: x-ৰ কি মানৰ বাবে $f(x) = x(5-x)$ গৰিষ্ঠ হ'ব নিৰ্ণয় কৰক। $f(x)$-ৰ গৰিষ্ঠ মান কি?

সমাধান ঃ দিয়া আছে, $f(x) = x(5-x)$

$$\Rightarrow f(x) = 5x - x^2$$

$$\therefore f'(x) = 5 - 2x$$

চৰম মানৰ বাবে, $f'(x) = 0$

$$\Rightarrow 5 - 2x = 0$$

$$\Rightarrow x = \frac{5}{2}$$

আকৌ, $f''(x) = \frac{d}{dx}(5-2x)$

$$= -2$$

$$f''\left(\frac{5}{2}\right) = -2 < 0$$

$\therefore x = \frac{5}{2}$ ত $f(x)$ গৰিষ্ঠ আৰু গৰিষ্ঠ মান $= f\left(\frac{5}{2}\right)$

$$= \frac{5}{2}\left(5 - \frac{5}{2}\right) = \frac{25}{4}$$

উদাহৰণ 3: যদি $y = a\log x + bx^2 + x$ ফলনৰ $x = -1$ আৰু $x = 2$, বিন্দুত চৰম মান থাকে, a আৰু b নিৰ্ণয় কৰক।

সমাধান ঃ দিয়া আছে, $y = a\log x + bx^2 + x$

$$\Rightarrow \frac{dy}{dx} = \frac{a}{x} + 2bx + 1$$

চৰম মানৰ বাবে $\frac{dy}{dx} = 0$

$$\Rightarrow \frac{a}{x} + 2bx + 1 = 0$$

$x = -1$, হ'লে, $-a - 2b + 1 = 0$

$$\Rightarrow a = 1 - 2b \qquad \text{... ... ... (1)}$$

$x = 2$, হ'লে, $\frac{a}{2} + 4b + 1 = 0$

$$\Rightarrow \frac{1-2b}{2} + 4b + 1 = 0, \text{ (1)-ৰ পৰা}$$

$$\Rightarrow 1 - 2b + 8b + 2 = 0$$

$$\Rightarrow 6b = -3$$

$$\Rightarrow b = -\frac{1}{2}$$

$$\therefore a = 1 - 2\left(-\frac{1}{2}\right) = 2$$

উদাহৰণ 4: প্ৰমাণ কৰক যে $\sin x + \cos x$ ফলনৰ গৰিষ্ঠ মান $\sqrt{2}$.

সমাধান ঃ ধৰা হ'ল, $f(x) = \sin x + \cos x$

$$\therefore f'(x) = \cos x - \sin x$$

চৰম মানৰ বাবে, $f'(x) = 0$

$$\Rightarrow \cos x - \sin x = 0$$

$$\Rightarrow \cos x = \sin x$$

$$\Rightarrow \tan x = 1$$

$$\Rightarrow x = \frac{\pi}{4}$$

এতিয়া, $f''(x) = \frac{d}{dx}(\cos x - \sin x)$

$$= -\sin x - \cos x$$

$$\therefore f''\left(\frac{\pi}{4}\right) = -\frac{1}{\sqrt{2}} - \frac{1}{\sqrt{2}} = -\frac{2}{\sqrt{2}} = -\sqrt{2} < 0$$

$\therefore x = \frac{\pi}{4}$ বিন্দুত f(x) গৰিষ্ঠ আৰু

গৰিষ্ঠ মান = $f\left(\frac{\pi}{4}\right) = \sin\frac{\pi}{4} + \cos\frac{\pi}{4} = \frac{1}{\sqrt{2}} + \frac{1}{\sqrt{2}} = \frac{2}{\sqrt{2}} = \sqrt{2}$

উদাহৰণ 5: প্ৰমাণ কৰক যে $\left(\frac{1}{x}\right)^x$ -ৰ গৰিষ্ঠ মান $e^{\frac{1}{e}}$

সমাধান ঃ ধৰা হ'ল, $y = \left(\frac{1}{x}\right)^x$

উভয় পক্ষৰ ঘাতাঙ্ক লৈ, আমি পাওঁ, $\log y = x\log\frac{1}{x}$

$= x\log x^{-1}$

$= -x\log x.$

উভয় পক্ষক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{1}{y}\frac{dy}{dx} = -\left[x.\frac{1}{x} + 1.\log x\right]$$

$$\Rightarrow \frac{dy}{dx} = -y(1+\log x) \qquad \text{... ... ... (1)}$$

y-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে $\frac{dy}{dx} = 0$

$\Rightarrow -y(1+\log x) = 0$

$\Rightarrow \log x = -1$

$\Rightarrow \log x = -\log e$

$\Rightarrow \log x = \log e^{-1}$

$\therefore x = \frac{1}{e}$

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{d^2y}{dx^2} = -\left[y.\frac{1}{x} + (1+\log x).\frac{dy}{dx}\right]$$

$= -\left[\frac{y}{x} - y(1+\log x)^2\right]$, (1)-ৰ পৰা

$x = \frac{1}{e}$-ৰ বাবে

$$\frac{d^2y}{dx^2} = -\left[\frac{e^{\frac{1}{e}}}{\frac{1}{e}} - e^{\frac{1}{e}}\left(1+\log\frac{1}{e}\right)^2\right]$$

$$= -e.e^{\frac{1}{e}} < 0$$

$\therefore = \frac{1}{e}$ বিন্দুত ফলনটো গৰিষ্ঠ। ফলনটোৰ গৰিষ্ঠ মান $= \left(\frac{1}{\frac{1}{e}}\right)^{\frac{1}{e}}$

$$= e^{\frac{1}{e}}$$

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ অধোলিখিত ফলনবোৰৰ গৰিষ্ঠ বা লঘিষ্ঠ মান নিৰ্ণয় কৰক।

a) $2x^2 - 6x + 3$ b) $x + \frac{1}{x}$ c) $4x^3 - 15x^2 + 12x - 1$

প্ৰশ্ন নং ১২ ঃ দেখুওৱাক যে $x = \frac{1}{e}$-ৰ বাবে x^x ফলনটো লঘিষ্ঠ আৰু লঘিষ্ঠ মান নিৰ্ণয় কৰক।

প্ৰশ্ন নং ১৩ ঃ প্ৰমাণ কৰক যে $x = \frac{\pi}{3}$-ৰ বাবে $\sin x(1+\cos x)$ গৰিষ্ঠ।

৯.৬ গৰিষ্ঠ আৰু লঘিষ্ঠ মানৰ প্ৰয়োগ

ব্যাৱহাৰিক জীৱনত গৰিষ্ঠ আৰু লঘিষ্ঠ মানৰ বহুল প্ৰয়োগ আছে। উদাহৰণ স্বৰূপে, এটা শঙ্কুৰ আকৃতিৰ তম্বুৰ ব্যাসাৰ্ধ আৰু উচ্চতাৰ মাজৰ সম্বন্ধ উলিয়াব লাগে, যদি ইয়াৰ ধাৰকত্ব নিৰ্দিষ্ট আৰু সৰ্বনিম্ন পৰিমাণৰ কাপোৰ ব্যৱহাৰ কৰিব লাগে। এনে ধৰণৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত, যিটো ফলনৰ গৰিষ্ঠ বা লঘিষ্ঠ মান নিৰ্ণয় কৰিব লাগে, সেই ফলনটো আমি উলিয়াওঁ। যদি ই দুটা চলক বিশিষ্ট হয়, প্ৰদত্ত তথ্যৰ পৰা এটা চলক অপনয়ন কৰি, ফলনটো এক চলক বিশিষ্ট কৰি লোৱা হয়।

উদাহৰণ 1: দুটা সংখ্যাৰ যোগফল ধ্ৰুৱক। যেতিয়া প্ৰতিটো সংখ্যা সিহঁতৰ যোগফলৰ আধা, প্ৰমাণ কৰক যে তেতিয়া সিহঁতৰ পূৰণফল গৰিষ্ঠ।

সমাধান ঃ ধৰা হ'ল, x আৰু y, তেনেহ'লে, $x + y = \text{ধ্ৰুৱক} = c$ ধৰা হ'ল।

$\Rightarrow y = c - x$ ... . (1)

ধৰা হ'ল, সংখ্যা দুটাৰ পূ�ৰণফল P তেনেহ'লে,

$P = xy$

$\Rightarrow P = x(c-x)$, (1)-ৰ পৰা

$\Rightarrow P = cx - x^2$

$\therefore \frac{dP}{dx} = c - 2x$

P-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$\frac{dP}{dx} = 0$

$\Rightarrow c - 2x = 0$

$\Rightarrow x = \frac{c}{2}$

এতিয়া, $\frac{d^2P}{dx^2} = \frac{d}{dx}(c - 2x)$

$= -2$

< 0

$\therefore x = \frac{c}{2}$-ৰ বাবে P গৰিষ্ঠ।


যেতিয়া, $x = \frac{c}{2}$, (1)-ৰ পৰা $= \frac{c}{2}$

যেতিয়া, $x = y = \frac{c}{2}$, P গৰিষ্ঠ।

অৰ্থাৎ পূৰণফল গৰিষ্ঠ যেতিয়া প্ৰতিটো সংখ্যা যোগফলৰ আধা।

উদাহৰণ 2: প্ৰমাণ কৰক যে এটা বৃত্তত অন্তৰ্লিখিত কৰিব পৰা সৰ্বোচ্চ কালিৰ আয়ত ক্ষেত্ৰটো এটা বৰ্গক্ষেত্ৰ।

সমাধান ঃ ধৰা হ'ল, এটা বৃত্তত অন্তৰ্লিখিত ABCD এটা আয়তক্ষেত্ৰ আৰু বৃত্তটোৰ ব্যাসাৰ্ধ a,



ধৰা হ'ল, আয়তক্ষেত্ৰটোৰ দৈৰ্ঘ আৰু প্ৰস্থ ক্ৰমে x আৰু y.

এতিয়া $AB^2 + BC^2 = AC^2$

$\Rightarrow x^2 + y^2 = (2a)^2$

$\Rightarrow x^2 + y^2 = 4a^2$ ... ... (1)

ধৰা হ'ল, ABCD আয়তক্ষেত্ৰটোৰ কালি A, তেনেহ'লে,

$A = xy$

$\Rightarrow A = x\sqrt{4a^2 - x^2}$, (1)-ৰ পৰা

$\because A > 0$

$\therefore$ A গৰিষ্ঠ যেতিয়া A^2 গৰিষ্ঠ।

ধৰা হ'ল, $u = A^2$

$\Rightarrow u = x^2(4a^2 - x^2)$

$\Rightarrow u = 4a^2x^2 - x^4$

$\therefore \frac{du}{dx} = 8a^2x - 4x^3$ ... ... (2)

u-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$\frac{du}{dx} = 0$

$\Rightarrow 8a^2x - 4x^3 = 0$

$\Rightarrow 4x(2a^2 - x^2) = 0$

$\Rightarrow x = \sqrt{2}a \qquad [\because x > 0]$

(2)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$\frac{d^2u}{dx^2} = \frac{d}{dx}\left(8a^2x - 4x^3\right)$

$= 8a^2 - 12x^2$

যেতিয়া, $x = \sqrt{2}a$, আমি পাওঁ,

$\frac{d^2u}{dx^2} = 8a^2 - 12\left(\sqrt{2}a\right)^2$

$= 8a^2 - 24a^2$

$= -16a^2$

< 0

$\therefore$ যেতিয়া $x = \sqrt{2}a$, u গৰিষ্ঠ।

অর্থাৎ যেতিয়া $x = \sqrt{2}a$, A গৰিষ্ঠ।

আৰু $y = \sqrt{4a^2 - x^2}$

$= \sqrt{4a^2 - 2a^2}$ (যেতিয়া $x = \sqrt{2}a$)

$= \sqrt{2a^2}$

$= \sqrt{2}a$

$\therefore$ যেতিয়া, $x = y = \sqrt{2}a$, A গৰিষ্ঠ।

গতিকে, আয়তক্ষেত্ৰটোৰ কালি সৰ্বোচ্চ যেতিয়া ই এটা বৰ্গক্ষেত্ৰ।

উদাহৰণ 3: এটা শঙ্কুৰ উচ্চ h আৰু অৰ্ধ শীৰ্ষ কোণ α, শঙ্কুটোত এটা বেলুন অন্তৰ্লিখিত কৰা হ'ল। দেখুওৱাক যে ইয়াৰ সৰ্বোচ্চ আয়তন $\frac{4}{27}\pi h^2 \tan^2\alpha$.

সমাধান ঃ ধৰা হ'ল, ABC এটা শঙ্কু, ইয়াৰ অৰ্ধ শীৰ্ষ কোণ α আৰু উচ্চতা OA = h. PQRS বেলনটো ইয়াত অন্তৰ্লিখিত কৰা হ'ল। ধৰা হ'ল, ইয়াৰ ব্যাসাৰ্ধ r আৰু উচ্চতা h'. তেনেহ'লে, $h' = OO' = AO - AO' = h - r\cot\alpha$

ধৰা হ'ল, বেলনটোৰ আয়তন V. তেনেহ'লে, $V = \pi r^2 h'$


$$\Rightarrow V = \pi r^2(h - r\cot\alpha)$$

$$\therefore \frac{dV}{dr} = 2\pi r(h - r\cot\alpha) + \pi r^2(-\cot\alpha)$$

$$= 2\pi rh - 3\pi r^2\cot\alpha$$

$$\therefore \frac{dV}{dr} = \pi r(2h - 3r\cot\alpha) \qquad \text{... ... ... (1)}$$

V-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dV}{dr} = 0$



$$\Rightarrow \pi r(2h - 3r\cot\alpha) = 0$$

$$\Rightarrow r = 0,\ r = \frac{2h}{3\cot\alpha}$$

$$\Rightarrow r = 0,\ r = \frac{2}{3}h\tan\alpha$$

কিন্তু, $r > 0$ (শঙ্কুৰ ব্যাসাৰ্ধ)

$$\therefore r = \frac{2}{3}h\tan\alpha$$

(1)ক r সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{d^2V}{dr^2} = 2\pi h - 6\pi r\cot\alpha$$

যেতিয়া, $r = \frac{2}{3}h\tan\alpha$, we get,

$$\frac{d^2V}{dr^2} = 2\pi h - 6\pi\left(\frac{2}{3}h\tan\alpha\right)\cot\alpha$$

$$= 2\pi h - 4\pi h$$

$$= -2\pi h < 0$$

$\therefore$ যেতিয়া, $r = \frac{2}{3}h\tan\alpha$, V গৰিষ্ঠ আৰু গৰিষ্ঠ আয়তন

$$= \pi.\frac{4}{9}h^2\tan^2\alpha\left(h-\frac{2}{3}h\tan\alpha\cot\alpha\right)$$

$$= \frac{4\pi}{9}h^2\tan^2\alpha\left(h-\frac{2}{3}h\right)$$

$$= \frac{4\pi}{9}h^2\tan^2\alpha.\frac{h}{3}$$

$$= \frac{4}{27}\pi h^3\tan^2\alpha$$

উদাহৰণ 4: এটা শঙ্কু এটা প্ৰদত্ত গোলকত অন্তৰ্লিখিত কৰা হ'ল। দেখুওৱাক যে শঙ্কুটোৰ উচ্চতা আৰু গোলকটোৰ ব্যাসৰ অনুপাত 2 : 3 হ'লে শঙ্কুটোৰ আয়তন সৰ্বোচ্চ হ'ব।


সমাধান ঃ ধৰা হ'ল, গোলকটোৰ ব্যাস d.

$\therefore AE = d$

ধৰা হ'ল, গোলকটোত অন্তৰ্লিখিত শঙ্কুটো ABC. ধৰা হ'ল, শঙ্কুটোৰ ভূমিৰ কেন্দ্ৰ D.

ধৰা হ'ল, শঙ্কুটোৰ উচ্চতা AD = x আৰু ব্যাসাৰ্ধ BD = r

সামতলিক জ্যামিতিৰ পৰা, $AD.DE = BD^2$



$\Rightarrow x(d-x) = r^2$

$\Rightarrow r^2 = xd - x^2$ ... ... (1)

$\therefore$ শঙ্কুটোৰ আয়তন,

$$V = \frac{1}{3}\pi r^2 x$$

$$= \frac{1}{3}\pi\left(xd-x^2\right)x \text{ , (1)-ৰ পৰা}$$

$$= \frac{1}{3}\pi\left(x^2d-x^3\right)$$

$$\therefore \frac{dV}{dx} = \frac{1}{3}\pi\left(2dx-3x^2\right) \quad \text{... ... ... (2)}$$

V-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$$\frac{dV}{dx} = 0 \Rightarrow \frac{1}{3}\pi\left(2dx-3x^2\right) = 0$$

$$\Rightarrow x(2d-3x) = 0$$

$$\Rightarrow x = \frac{2d}{3} \quad [\because x > 0]$$

(2)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,


$$\frac{d^2V}{dx^2} = \frac{1}{3}\pi(2d - 6x)$$

যেতিয়া, $x = \frac{2d}{3}$, আমি পাওঁ,

$$\frac{d^2V}{dx^2} = \frac{1}{3}\pi\left(2d - 6.\frac{2d}{3}\right)$$

$$= -\frac{2\pi d}{3} < 0$$

$\therefore$ শঙ্কুটোৰ আয়তন গৰিষ্ঠ হ'ব যেতিয়া, $x = \frac{2}{3}d$ অর্থাৎ যেতিয়া, $x : d = 2 : 3$.



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৪ঃ দুটা সংখ্যাৰ যোগফল 20 আৰু পূৰণফল সৰ্বোচ্চ হ'লে সংখ্যা দুটা নিৰ্ণয় কৰক।

প্ৰশ্ন নং ১৫ঃ এটা আয়তক্ষেত্ৰ আৰু এটা অৰ্ধবৃত্তেৰে এটা চিত্ৰ গঠিত; অৰ্ধবৃত্তটোৰ ব্যাস আয়তক্ষেত্ৰটোৰ এটা বাহু। চিত্ৰটোৰ পৰিসীমা 20m. চিত্ৰটোৰ কালি সৰ্বোচ্চ হ'বলৈ হ'লে আয়তক্ষেত্ৰটোৰ দৈর্ঘ্য, প্ৰস্থ নিৰ্ণয় কৰক।

প্ৰশ্ন নং ১৬ঃ প্ৰদত্ত হেলনীয়া উচ্চতাৰ এটা শংকুৰ আয়তন সৰ্বোচ্চ হ'বলৈ হ'লে অৰ্ধ শীৰ্ষকোণ $\tan^{-1}\sqrt{2}$ হ'ব লাগিব, —প্ৰমাণ কৰক।

প্ৰশ্ন নং ১৭ঃ দেখুওৱাক যে প্ৰদত্ত পৰিসীমাৰ সকলো আয়তক্ষেত্ৰৰ ভিতৰত বৰ্গক্ষেত্ৰৰ কালি সৰ্বোচ্চ।

প্ৰশ্ন নং ১৮ঃ এচটা বৰ্গাকাৰ টিনৰ প্ৰতি বাহুৰ দৈর্ঘ্য 10 cm আৰু টিনচটাৰ প্ৰতিটো চুকৰ পৰা এটা বৰ্গ কাটি কটা টুকুৰাকেইটা ভাঁজ লগাই এটা ওপৰ খোলা বাকচ গঠন কৰা হ'ল। বাকচটোৰ আয়তন গৰিষ্ঠ হ'বলৈ হ'লে প্ৰতিটো চুকৰ পৰা কটা বৰ্গৰ বাহু নিৰ্ণয় কৰক।

প্ৰশ্ন নং ১৯ঃ প্ৰমাণ কৰক যে R ব্যাসাৰ্ধৰ এটা গোলকত অন্তৰ্লিখিত কৰিব পৰা সৰ্বোচ্চ শঙ্কুটোৰ আয়তন গোলকটোৰ আয়তনৰ $\frac{8}{27}$ গুণ।


প্ৰশ্ন নং ২০ঃ $\frac{x^2}{a^2} + \frac{y^2}{b^2} = 1$ উপবৃত্তত অন্তৰ্লিখিত কৰিব পৰা সৰ্বোচ্চ আয়তক্ষেত্ৰটোৰ কালি নিৰ্ণয় কৰক।


৯.৭ বক্ৰতা

AB আৰু CD বক্ৰ দুডাল লোৱা হ'ল। চিত্ৰৰপৰা আমি দেখিছোঁ যে ABতকৈ CD বেছি ভাঁজ লগা। অৰ্থাৎ CD-ৰ বক্ৰতা (Curvature) ABতকৈ বেছি।

৯.৭.১ সংজ্ঞা

ধৰা হ'ল, এটা নিৰ্দিষ্ট বক্ৰত P আৰু Q দুটা ওচৰা-উচৰি বিন্দু। PQ চাপটো ইয়াৰ জ্যাডালৰ পিনে অৱতল। ধৰা হ'ল, P আৰু Q বিন্দুত টনা বক্ৰটোৰ অভিলম্ব (Normal) দুডালে N বিন্দুত কটাকটি কৰে। যদি Q, Pৰ পিনে অগ্ৰসৰ হয়, তেনেহ'লে N, এটা নিৰ্দিষ্ট বিন্দু C-ৰ পিনে অগ্ৰসৰ হ'ব। এই বিন্দুটোক বক্ৰটোৰ বক্ৰতা কেন্দ্ৰ (Centre of Curvature) বুলি কোৱা হয়। CPক বক্ৰতা ব্যাসাৰ্ধ (Radius of Curvature) বুলি কোৱা হয় আৰু ইয়াক ρৰে বুজোৱা হয়।






$\frac{1}{CP}$ ক Pত বক্ৰটোৰ বক্ৰতা বুলি কোৱা হয়। C কেন্দ্ৰীয় আৰু CP ব্যাসাৰ্ধৰ বৃত্তটোক Pত বক্ৰটোৰ **বক্ৰতা বৃত্ত** (Circle of Curvature) বুলি কোৱা হয়।

৯.৭.২ বক্ৰতা ব্যাসাৰ্ধ

ধৰা হ'ল, বক্ৰটোত A এটা নিৰ্দিষ্ট বিন্দু। ধৰা হ'ল, বক্ৰটোত P আৰু Q দুটা ওচৰা-উচৰি বিন্দু। ধৰা হ'ল, P আৰু Q বিন্দুত টনা স্পৰ্শক দুডালে x অক্ষৰ লগত ক্ৰমে ψ আৰু $\psi + \delta\psi$ কোণ কৰে।



ধৰা হ'ল, চাপ = s.

চাপ PQ = δs.

ধৰা হ'ল, P আৰু Q বিন্দুত টনা অভিলম্ব দুডালে N বিন্দুত কটাকটি কৰে। ধৰা হ'ল, P আৰু Q বিন্দুত টনা স্পৰ্শক দুডালে R বিন্দুত কটাকটি কৰে।

চিত্ৰৰ পৰা, $\angle PNQ = \angle TRT' = \delta\psi$

P বক্ৰতা ব্যাসার্ধ = $\rho = \lim_{\delta s \to 0} PN$

PNQ-ৰ ত্ৰিভুজৰ পৰা, $\frac{PN}{\sin NQP} = \frac{\text{chord } PQ}{\sin PNQ}$

$$\Rightarrow \frac{PN}{\sin NQP} = \frac{\text{chord } PQ}{\sin \delta\psi}$$

$$\Rightarrow PN = \frac{\text{chord } PQ . \sin NQP}{\sin \delta\psi}$$

$$\Rightarrow PN = \frac{\text{chord } PQ}{\delta s} . \frac{\delta s}{\delta\psi} . \frac{\delta\psi}{\sin \delta\psi} . \sin NQP$$

Hence, $\rho = \lim_{\substack{\delta s \to 0 \\ \delta\psi \to 0}} \left\{ \frac{\text{chord} PQ}{\delta s} . \frac{\delta s}{\delta\psi} . \frac{\delta\psi}{\sin \delta\psi} . \sin NQP \right\}$

$$= 1 . \frac{ds}{d\psi} . 1 . \sin\frac{\pi}{2}$$

$$= \frac{ds}{d\psi}$$

৯.৭.৩ কার্টেজীয় বক্ৰৰ বাবে বক্ৰতা ব্যাসার্ধ

ধৰা হ'ল, বক্ৰটো $y = f(x)$

আমি জানো যে $\frac{dy}{dx} = \tan\psi$, য'ত ψ যিকোনো বিন্দুত টনা স্পৰ্শকে x অক্ষৰ লগত কৰা কোণ।

$$\therefore \frac{d^2y}{dx^2} = \frac{d}{dx}(\tan\psi)$$

$$= \sec^2\psi . \frac{d\psi}{dx}$$

$$= \sec^2\psi . \frac{d\psi}{ds} . \frac{ds}{dx}$$

$$= (1 + \tan^2\psi) . \frac{1}{\rho} . \sqrt{1 + \left(\frac{dy}{dx}\right)^2}$$

$$\Rightarrow \rho\frac{d^2y}{dx^2} = \left\{1+\left(\frac{dy}{dx}\right)^2\right\}\sqrt{1+\left(\frac{dy}{dx}\right)^2}$$

$$\Rightarrow \rho = \frac{\left\{1+\left(\frac{dy}{dx}\right)^2\right\}^{3/2}}{\frac{d^2y}{dx^2}}$$

টোকা ঃ ρৰ মান অক্ষৰ বাছনিৰ ক্ষেত্ৰত নিৰ্ভৰ নকৰে। গতিকে আমি ল'ব পাৰোঁ,

$$\rho = \frac{\left\{1+\left(\frac{dy}{dx}\right)^2\right\}^{3/2}}{\frac{d^2y}{dx^2}}$$

টোকা ঃ ρএ দৈর্ঘ্য বুজায়। গতিকে ই ঋণাত্মক হ'ব নোৱাৰে।

৯.৭.৪ ধ্ৰুৱীয় আকাৰত বক্ৰতা ব্যাসার্ধ

আমি জানো যে, $\frac{1}{p^2} = \frac{1}{r^2} + \frac{1}{r^4}\left(\frac{dr}{d\theta}\right)^2$

r সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$-\frac{2}{p^3}\frac{dp}{dr} = -\frac{2}{r^3} - \frac{4}{r^5}\left(\frac{dr}{d\theta}\right)^2 + \frac{1}{r^4}.2\frac{dr}{d\theta}.\frac{d}{dr}\left(\frac{dr}{d\theta}\right)$$

$$\Rightarrow \frac{1}{p^3}\frac{dp}{dr} = \frac{1}{r^3} + \frac{2}{r^5}\left(\frac{dr}{d\theta}\right)^2 - \frac{1}{r^4}\frac{dr}{d\theta}.\frac{d}{d\theta}\left(\frac{dr}{d\theta}\right).\frac{d\theta}{dr}$$

$$\Rightarrow \frac{1}{p^3}\frac{dp}{dr} = \frac{1}{r^3} + \frac{2}{r^5}\left(\frac{dr}{d\theta}\right)^2 - \frac{1}{r^4}\frac{d^2r}{d\theta^2}$$

$$\Rightarrow \frac{1}{p^3}\frac{dp}{dr} = \frac{r^2 + 2\left(\frac{dr}{d\theta}\right)^2 - r\frac{d^2r}{d\theta^2}}{r^5}$$

$$\Rightarrow r\frac{dr}{dp} = \frac{r^6}{p^3\left[r^2 + 2\left(\frac{dr}{d\theta}\right)^2 - r\frac{d^2r}{d\theta^2}\right]} \qquad \text{... ... ... (1)}$$

কিন্তু $\frac{1}{p^2} = \frac{1}{r^2} + \frac{1}{r^4}\left(\frac{dr}{d\theta}\right)^2$

$\Rightarrow \frac{r^4}{p^2} = r^2 + \left(\frac{dr}{d\theta}\right)^2$

$\Rightarrow \left(\frac{r^4}{p^2}\right)^{3/2} = \left\{r^2 + \left(\frac{dr}{d\theta}\right)^2\right\}^{3/2}$

$\Rightarrow \frac{r^6}{p^3} = \left\{r^2 + \left(\frac{dr}{d\theta}\right)^2\right\}^{3/2}$ ... ... (2)

$\therefore \rho = r\frac{dr}{dp}$

$$= \frac{\left\{r^2 + \left(\frac{dr}{d\theta}\right)^2\right\}^{3/2}}{r^2 - r\frac{d^2r}{d\theta^2} + 2\left(\frac{dr}{d\theta}\right)^2}$$

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: $\sqrt{x} + \sqrt{y} = \sqrt{a}$ বক্ৰৰ $\left(\frac{a}{4}, \frac{a}{4}\right)$ বিন্দুত বক্ৰতা ব্যাসার্ধ উলিয়াওক।

সমাধান ঃ প্ৰদত্ত বক্ৰটো হ'ল,

$\sqrt{x} + \sqrt{y} = \sqrt{a}$ ... ... (1)

$\therefore \frac{d}{dx}\left(\sqrt{x} + \sqrt{y}\right) = \frac{d}{dx}\left(\sqrt{a}\right)$

$\Rightarrow \frac{1}{2\sqrt{x}} + \frac{1}{2\sqrt{y}} \cdot \frac{dy}{dx} = 0$

$\Rightarrow \frac{dy}{dx} = -\frac{\sqrt{y}}{\sqrt{x}}$ ... ... (2)

(2)ক r সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{d^2y}{dx^2} = \frac{-\sqrt{x} \cdot \frac{1}{2\sqrt{y}}\frac{dy}{dx} + \sqrt{y} \cdot \frac{1}{2\sqrt{x}}}{x}$$

$$= -\frac{-\frac{\sqrt{x}}{2\sqrt{y}}.\left(\frac{-\sqrt{y}}{\sqrt{x}}\right)-\frac{\sqrt{y}}{2\sqrt{x}}}{x}$$

$$= \frac{\sqrt{x}+\sqrt{y}}{2x\sqrt{x}}$$

$$= \frac{\sqrt{a}}{2x\sqrt{x}}, \text{ (1)-ৰ পৰা}$$

$\left(\frac{a}{4},\frac{a}{4}\right)$ বিন্দুত $\frac{dy}{dx} = -1$ আৰু $\frac{d^2y}{dx^2} = \frac{\sqrt{a}}{2.\frac{a}{4}.\frac{\sqrt{a}}{2}} = \frac{4}{a}$

$$\therefore \text{ বক্ৰতা ব্যাসাধ } \rho = \frac{\left[1+\left(\frac{dy}{dx}\right)^2\right]^{3/2}}{\frac{d^2y}{dx^2}}$$

$$= \frac{(1+1)^{3/2}}{\frac{4}{a}} = \frac{a\sqrt{2}}{2}$$

উদাহৰণ 2: $y = e^x$ বক্ৰটোৰে y অক্ষক যিটো বিন্দুত ছেদ কৰে সেই বিন্দুত বক্ৰটোৰ বক্ৰতা ব্যাসার্ধ উলিয়াওক।

সমাধান ঃ প্ৰদত্ত বক্ৰটো হ'ল, $y = e^x$ ... ... (1)

$$\therefore \frac{dy}{dx} = e^x \text{ আৰু } \frac{d^2y}{dx^2} = e^x$$

যেতিয়া, $x = 0$, (1)-ৰ পৰা আমি পাওঁ, $y = 1$

$\therefore$ (1) বক্ৰটোৰে y অক্ষক (0, 1) বিন্দুত ছেদ কৰে।

(0,1) বিন্দুত $\frac{dy}{dx} = 1, \quad \frac{d^2y}{dx^2} = 1$

$$\therefore \text{ বক্ৰতা ব্যাসার্ধ } \rho = \frac{\left[1+\left(\frac{dy}{dx}\right)^2\right]^{3/2}}{\frac{d^2y}{dx^2}}$$

$$= \frac{(1+1)^{3/2}}{1}$$

$$= 2\sqrt{2}$$

উদাহৰণ 3: $x = a(\theta - \sin\theta)$, $y = a(1-\cos\theta)$ বক্ৰৰ যিকোনো বিন্দু θ ত বক্ৰতা ব্যাসার্ধ উলিয়াওক।

সমাধান ঃ দিয়া আছে, $x = a(\theta - \sin\theta)$ ... ... (1)

$y = a(1-\cos\theta)$ ... ... (2)

$$\therefore \frac{dx}{d\theta} = a(1-\cos\theta) \text{ আৰু } \frac{dy}{d\theta} = a\sin\theta$$

$$\therefore \frac{dy}{dx} = \frac{a\sin\theta}{a(1-\cos\theta)} = \frac{2\sin\frac{\theta}{2}\cos\frac{\theta}{2}}{2\sin^2\frac{\theta}{2}} = \cot\frac{\theta}{2}$$

আকৌ, $\frac{d^2y}{dx^2} = \frac{d}{dx}\left(\cot\frac{\theta}{2}\right) = -\operatorname{cosec}^2\frac{\theta}{2}.\frac{1}{2}.\frac{d\theta}{dx}$

$$= -\frac{1}{2}\operatorname{cosec}^2\frac{\theta}{2}.\frac{1}{a(1-\cos\theta)}$$

$$= -\frac{1}{2}\operatorname{cosec}^2\frac{\theta}{2}.\frac{1}{a.2\sin^2\frac{\theta}{2}}$$

$$= -\frac{1}{4a}\operatorname{cosec}^4\frac{\theta}{2}$$

$$\therefore \rho = \frac{\left(1+\cot^2\frac{\theta}{2}\right)^{3/2}}{-\frac{1}{4a}\operatorname{cosec}^4\frac{\theta}{2}} = \frac{-4a\operatorname{cosec}^3\frac{\theta}{2}}{\operatorname{cosec}^4\frac{\theta}{2}} = -4a\sin\frac{\theta}{2}$$

কিন্তু বক্ৰতা ব্যাসার্ধ ঋণাত্মক হ'ব নোৱাৰে।

$$\therefore \rho = 4a\sin\frac{\theta}{2}$$

উদাহৰণ 4: $r = a(1-\cos\theta)$ বক্ৰৰ (r, θ) বিন্দুত বক্ৰতা ব্যাসার্ধ নির্ণয় কৰক।

সমাধান ঃ প্ৰদত্ত বক্ৰটো হ'ল, $r = a(1-\cos\theta)$

$$\therefore \frac{dr}{d\theta} = a\sin\theta \text{ আৰু } \frac{d^2r}{d\theta^2} = a\cos\theta$$

আমি জানো যে বক্ৰতা ব্যাসার্ধ,

$$\rho = \frac{\left[r^2 + \left(\frac{dr}{d\theta}\right)^2\right]^{3/2}}{r^2 - r\frac{d^2r}{d\theta^2} + 2\left(\frac{dr}{d\theta}\right)^2}$$

$$= \frac{\left[a^2(1-\cos\theta)^2 + a^2\sin^2\theta\right]^{3/2}}{a^2(1-\cos\theta)^2 - a(1-\cos\theta).a\cos\theta + 2a^2\sin^2\theta}$$

$$= \frac{a^3\left[1+\cos^2\theta - 2\cos\theta + \sin^2\theta\right]^{3/2}}{a^2\left[1+\cos^2\theta - 2\cos\theta + \cos^2\theta - \cos\theta + 2\sin^2\theta\right]}$$

$$= \frac{a(2-2\cos\theta)^{3/2}}{(3-3\cos\theta)}$$

$$= \frac{a.2^{3/2}(1-\cos\theta)^{3/2}}{3(1-\cos\theta)}$$

$$= \frac{2\sqrt{2}a}{3}\sqrt{1-\cos\theta}$$

$$= \frac{2\sqrt{2}\,a}{3}\sqrt{\frac{r}{a}}$$

$$= \frac{2}{3}\sqrt{2ar}$$

উদাহৰণ 5: $\frac{x^2}{a^2}+\frac{y^2}{b^2}=1$, উপবৃত্তৰ বাবে দেখুওৱাক যে মুখ্য অক্ষৰ এটা মূৰত বক্ৰতা ব্যাসার্ধ উপবৃত্তটোৰ অর্ধ নাভিলম্বৰ সমান।

সমাধান ঃ প্ৰদত্ত উপবৃত্তটো হ'ল,

$$\frac{x^2}{a^2}+\frac{y^2}{b^2}=1 \qquad \ldots\ \ldots\ \ldots\ (1)$$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{2x}{a^2}+\frac{2y}{b^2}\frac{dy}{dx}=0$$

$$\Rightarrow \frac{dy}{dx} = -\frac{b^2x}{a^2y} \qquad \ldots\ \ldots\ \ldots\ (2)$$

$$\therefore \frac{d^2y}{dx^2} = -\frac{b^2}{a^2}\frac{d}{dx}\left(\frac{x}{y}\right)$$

$$= -\frac{b^2}{a^2}.\frac{y.1-x.\frac{dy}{dx}}{y^2}$$

$$= -\frac{b^2}{a^2y^2}\left[y+\frac{b^2x^2}{a^2y}\right], \text{ (2)-ৰ সহায়ত}$$

$$= -\frac{b^2}{a^4y^3}\left[a^2y^2 + b^2x^2\right]$$

$$= -\frac{b^2}{a^4y^3}\left[a^2b^2\right], \text{ (1)-ৰ সহায়ত}$$

$$= -\frac{b^4}{a^2y^3}$$

$\therefore$ (x, y) বিন্দুত বক্ৰতা ব্যাসার্ধ,

$$\rho = \frac{\left\{1+\left(-\frac{b^2x}{a^2y}\right)^2\right\}^{3/2}}{-\frac{b^4}{a^2y^3}}$$

$$= \frac{\left(a^4y^2 + b^4x^2\right)^{3/2}}{a^4b^4} \quad \text{(ঋণাত্মক চিন বাদ দি)}$$


$\because$ মুখ্য অক্ষৰ এটা মূৰৰ স্থানাঙ্ক (a, 0)

$\therefore$ (a, 0) বিন্দুত বক্ৰতা ব্যাসার্ধ,

$$\rho = \frac{\left(0 + b^4a^2\right)^{3/2}}{a^4b^4}$$

$$= \frac{b^2}{a}$$

= নাভিলম্বৰ আধা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২১ ঃ $a^2y = x^3 - a^3$ বক্ৰৰ (x, y) বিন্দুত বক্ৰতা ব্যাসার্ধ নিৰ্ণয় কৰক।

প্ৰশ্ন নং ২২ ঃ অধোলিখিত বক্ৰবোৰৰ (s, ψ) বিন্দুত বক্ৰতা ব্যাসার্ধ নিৰ্ণয় কৰক।

a) $s = 4a \sin\psi$ b) $s = c\log\sec\psi$

প্ৰশ্ন নং ২৩ ঃ $x^3 + y^3 = 3axy$ বক্ৰৰ $\left(3\frac{a}{2}, 3\frac{a}{2}\right)$ বিন্দুত বক্ৰতা নিৰ্ণয় কৰক।

প্ৰশ্ন নং ২৪ ঃ $x = a(t+\sin t), y = a(1-\cos t)$ ছাইক্ৰয়ডৰ যিকোনো বিন্দুত বক্ৰতা ব্যাসার্ধ নিৰ্ণয় কৰক।

প্ৰশ্ন নং ২৫ ঃ $x = a\cos^3\theta, y = a\sin^3\theta$ বক্ৰৰ যিকোনো বিন্দুত θ ত বক্ৰতা নিৰ্ণয় কৰক।

৯.৮ স্পৰ্শক আৰু অভিলম্ব

আমি জানো যে $y = f(x)$ বক্ৰৰ (x, y) বিন্দুত স্পৰ্শকৰ প্ৰৱণতা অৱকলজ $\frac{dy}{dx}$ ৰ সমান। প্ৰৱণতা হ'ল $\tan\theta$, য'ত θ হ'ল স্পৰ্শক ডালে x অক্ষৰ লগত কৰা কোণ। $\frac{dy}{dx} = 0$ হ'লে, স্পৰ্শক ডাল x অক্ষৰ সমান্তৰাল। $\frac{dx}{dy} = 0$ হ'লে স্পৰ্শক ডাল y অক্ষৰ সমান্তৰাল।

৯.৮.১ স্পৰ্শক আৰু অভিলম্বৰ সমীকৰণ

ধৰা হ'ল, প্ৰদত্ত বক্ৰটো $y = f(x)$ আৰু ধৰা হ'ল, বক্ৰটোত $P(x_0, y_0)$ এটা বিন্দু।


$P(x_0, y_0)$ বিন্দুত টনা স্পৰ্শকৰ প্ৰৱণতা $\left[\frac{dy}{dx}\right]_{(x_0, y_0)}$

$\therefore$ স্থানাঙ্ক জ্যামিতিৰ সহায়ত, $P(x_0, y_0)$ বিন্দুত স্পৰ্শকৰ (Tangent) সমীকৰণ,

$$y - y_0 = \left[\frac{dy}{dx}\right]_{(x_0, y_0)} (x - x_0)$$

আকৌ, $P(x_0, y_0)$ বিন্দুত অভিলম্বৰ (Normal) সমীকৰণ,

$$y - y_0 = \frac{-1}{\left[\frac{dy}{dx}\right]_{(x_0, y_0)}} (x - x_0)$$



মন্তব্য 1: যদি $\left[\frac{dx}{dy}\right]_{(x_0, y_0)} = 0$, স্পৰ্শকডাল y অক্ষৰ সমান্তৰাল আৰু ইয়াৰ সমীকৰণ $x = x_0$.

মন্তব্য 2: যদি $\left[\frac{dy}{dx}\right]_{(x_0, y_0)} = 0$, স্পৰ্শকডাল x অক্ষৰ সমান্তৰাল আৰু ইয়াৰ সমীকৰণ $y = y_0$.

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: $y = 2x^2 + 3\sin x$ বক্ৰৰ $x = 0$ বিন্দুত স্পৰ্শক আৰু অভিলম্বৰ সমীকৰণ নিৰ্ণয় কৰক।

সমাধান ঃ প্ৰদত্ত বক্ৰটো হ'ল, $y = 2x^2 + 3\sin x$ ... ... (1)

$x = 0$ বিন্দুত, $y = 0$

$\therefore$ বিন্দুটো $(0, 0)$.

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{dy}{dx} = 4x + 3\cos x$$

$$\Rightarrow \left[\frac{dy}{dx}\right]_{(0,0)} = 0 + 3 = 3$$

$\therefore$ (0, 0) বিন্দুত স্পৰ্শকৰ সমীকৰণ, $y - 0 = 3(x-0)$

$$\Rightarrow 3x - y = 0$$

আকৌ, (0, 0) বিন্দুত অভিলম্বৰ সমীকৰণ, $y - 0 = \frac{-1}{3}(x-0)$

$$\Rightarrow x + 3y = 0$$

উদাহৰণ 2: $y = 2x^3 - 3x^2 - 12x + 20$ বক্ৰৰ কোনবোৰ বিন্দুত স্পৰ্শক x অক্ষৰ সমান্তৰাল নিৰ্ণয় কৰক।

সমাধান ঃ প্ৰদত্ত বক্ৰটো হ'ল, $y = 2x^3 - 3x^2 - 12x + 20$ ... ... (1)

$$\therefore \frac{dy}{dx} = 6x^2 - 6x - 12$$

ধৰা হ'ল (1)-ৰ (α,β) বিন্দুত স্পৰ্শক x অক্ষৰ সমান্তৰাল।

$$\therefore \left[\frac{dy}{dx}\right]_{(\alpha,\beta)} = 0$$

$$\Rightarrow 6\alpha^2 - 6\alpha - 12 = 0$$

$$\Rightarrow \alpha^2 - \alpha - 2 = 0$$

$$\Rightarrow (\alpha-2)(\alpha+1) = 0$$

$$\Rightarrow \alpha = 2, -1$$

$\because$ (α,β) বিন্দুটো (1)ত আছে,

$\therefore$ (1)-ৰ পৰা $\beta = 2\alpha^3 - 3\alpha^2 - 12\alpha + 20$

$\alpha = 2$ হ'লে, $\beta = 16 - 12 - 24 + 20 = 0$

$\alpha = -1$ হ'লে, $\beta = -2 - 3 + 12 + 20 = 27$

$\therefore$ নিৰ্ণেয় বিন্দুকেইটা হ'ল (2, 0) আৰু (–1, 27).

উদাহৰণ 3: মূল বিন্দুৰ পৰা $y = \sin x$ বক্ৰলৈ স্পৰ্শক টনা হ'ল। দেখুওৱাক যে সিহঁতৰ স্পৰ্শ বিন্দুবোৰ $x^2y^2 = x^2 - y^2$.

সমাধান ঃ প্ৰদত্ত বক্ৰটো হ'ল, $y = \sin x$ ... ... (1)

ধৰা হ'ল, (1)ত (x_1, y_1) যিকোনো এটা বিন্দু

$\therefore$ $y_1 = \sin x_1$ ... ... (2)

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{dy}{dx} = \cos x$$

$$\therefore \left[\frac{dy}{dx}\right]_{(x_1, y_1)} = \cos x_1$$

$\therefore$ (x_1, y_1) বিন্দুত স্পৰ্শকৰ সমীকৰণ হ'ল,

$$y - y_1 = \cos x_1.(x - x_1)$$

$\because$ এই স্পৰ্শকডাল মূল বিন্দুৰ মাজেৰে যায়,

$$\therefore 0 - y_1 = \cos x_1.(0 - x_1)$$

$$\Rightarrow y_1 = x_1 \cos x_1 \quad \ldots\ldots\ldots (3)$$

(2) আৰু (3)ৰ পৰা আমি পালোঁ,

$$y_1^2 + \left(\frac{y_1}{x_1}\right)^2 = \sin^2 x_1 + \cos^2 x_1$$

$$\Rightarrow x_1^2 y_1^2 + y_1^2 = x_1^2$$

$$\Rightarrow x_1^2 - y_1^2 = x_1^2 y_1^2$$

$\therefore$ (x_1, y_1) বিন্দুটোৰ সঞ্চাৰ পথ হ'ল, $x^2 - y^2 = x^2y^2$

উদাহৰণ 4: যদি $x^{\frac{2}{3}} + y^{\frac{2}{3}} = a^{\frac{2}{3}}$ বক্ৰৰ কোনো বিন্দুত টনা অভিলম্বই x অক্ষৰ লগত Φ কোণ কৰে, দেখুওৱাক যে ইয়াৰ সমীকৰণ হ'ল,

$$y \cos\Phi - x \sin\Phi = a \cos 2\Phi .$$

সমাধান ঃ প্ৰদত্ত বক্ৰটো হ'ল, $x^{\frac{2}{3}} + y^{\frac{2}{3}} = a^{\frac{2}{3}}$ $\ldots\ldots\ldots$ (1)

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{2}{3}x^{-\frac{1}{3}} + \frac{2}{3}y^{-\frac{1}{3}}\frac{dy}{dx} = 0$$

$$\Rightarrow \frac{dy}{dx} = -\left(\frac{y}{x}\right)^{\frac{1}{3}}$$

$\therefore$ (1)-ৰ (x, y) বিন্দুত টনা অভিলম্বৰ প্ৰৱণতা,

$$\Rightarrow \frac{-1}{\frac{dy}{dx}} = \left(\frac{x}{y}\right)^{\frac{1}{3}} = \tan\Phi \text{ (দিয়া আছে)}$$

$$\Rightarrow \frac{x^{\frac{1}{3}}}{y^{\frac{1}{3}}} = \frac{\sin\Phi}{\cos\Phi}$$

$$\Rightarrow \frac{x^{\frac{1}{3}}}{\sin\Phi} = \frac{y^{\frac{1}{3}}}{\cos\Phi} = \frac{\sqrt{x^{\frac{2}{3}} + y^{\frac{2}{3}}}}{\sqrt{\sin^2\Phi + \cos^2\Phi}}$$

$$= \frac{\sqrt{a^{\frac{2}{3}}}}{1}, \text{ (1)-ৰ পৰা}$$

$\therefore x^{\frac{1}{3}} = a^{\frac{1}{3}}\sin\Phi$ আৰু $y^{\frac{1}{3}} = a^{\frac{1}{3}}\cos\Phi$

অৰ্থাৎ, $x = a\sin^3\Phi$ আৰু $y = a\cos^3\Phi$

$\therefore$ (1)-ৰ $(a\sin^3\Phi, a\cos^3\Phi)$ বিন্দুত টনা অভিলম্বই x অক্ষৰ লগত Φ কোণ কৰে।

গতিকে অভিলম্বৰ সমীকৰণ হ'ল,

$$y - a\cos^3\Phi = \tan\Phi(x - a\sin^3\Phi)$$

$$\Rightarrow y\cos\Phi - a\cos^4\Phi = x\sin\Phi - a\sin^4\Phi$$

$$\Rightarrow y\cos\Phi - x\sin\Phi = a(\cos^4\Phi - \sin^4\Phi)$$

$$= a(\cos^2\Phi - \sin^2\Phi)(\cos^2\Phi + \sin^2\Phi)$$

$$= a\cos 2\Phi$$

উদাহৰণ 5: $2y - x = 2$ ৰেখাডালে $y^2 = 2x$ বক্ৰক স্পৰ্শ কৰে। স্পৰ্শ বিন্দুৰ স্থানাঙ্ক উলিয়াওক।

সমাধান ঃ ধৰা হ'ল, স্পৰ্শ বিন্দুৰ স্থানাঙ্ক (x_1, y_1).

ই প্ৰদত্ত বক্ৰ $y^2 = 2x$, ... (1)

$\therefore y_1^2 = 2x_1$ ... ... (2)

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$2y\frac{dy}{dx} = 2$$

$$\Rightarrow \frac{dy}{dx} = \frac{1}{y}$$

$$\therefore \left[\frac{dy}{dx}\right]_{(x_1,y_1)} = \frac{1}{y_1}$$

প্ৰদত্ত ৰেখাডাল হ'ল, $2y - x = 2$

$$\Rightarrow y = \frac{1}{2}x + 1$$

ইয়াৰ প্ৰৱণতা $\frac{1}{2}$.

$$\therefore \frac{1}{2} = \frac{1}{y_1} \Rightarrow y_1 = 2$$

(2)ত $y_1 = 2$ বহুৰাই আমি পাওঁ, $4 = 2x$

$\Rightarrow x_1 = 2$

$\therefore$ স্পৰ্শ বিন্দুটো হ'ল (2, 2).



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২৬ ঃ $x^2 - 4y^2 = 9$ বক্ৰৰ (5, –2) বিন্দুত স্পৰ্শক আৰু অভিলম্বৰ সমীকৰণ নিৰ্ণয় কৰক।

প্ৰশ্ন নং ২৭ ঃ $y = x^3 - 3x^2 - 9x + 5$ বক্ৰৰ কোনবোৰ বিন্দুত স্পৰ্শক x অক্ষৰ সমান্তৰাল নিৰ্ণয় কৰক।

প্ৰশ্ন নং ২৮ ঃ $\left(\frac{x}{a}\right)^n + \left(\frac{y}{b}\right)^n = 2$ বক্ৰৰ (a, b) বিন্দুত অভিলম্বৰ সমীকৰণ নিৰ্ণয় কৰক।

প্ৰশ্ন নং ২৯ ঃ $y(x-2)(x-3) - x + 7 = 0$ বক্ৰই x অক্ষক যিটো বিন্দুত স্পৰ্শ কৰে সেই বিন্দুত স্পৰ্শক আৰু অভিলম্বৰ সমীকৰণ নিৰ্ণয় কৰক।

প্ৰশ্ন নং ৩০ ঃ প্ৰমাণ কৰক যে $y^2 = 4a\left\{x + a\sin\left(\frac{x}{a}\right)\right\}$ বক্ৰৰ যিবোৰ বিন্দুত স্পৰ্শক x অক্ষৰ সমান্তৰাল, সেই বিন্দুবোৰ এটা অধিবৃত্তৰ ওপৰত থাকে।



৯.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- [a, b] অন্তৰালত f(x) বৰ্ধমান যদি $f'(x) \geq 0, \forall x \in [a,b]$.
- f(x) অন্তৰালত [a, b] সতত বৰ্ধমান যদি $f'(x) > 0, \forall x \in [a,b]$.
- f(x) অন্তৰালত [a, b] হ্ৰাসমান যদি $f'(x) \leq 0, \forall x \in [a,b]$
- f(x) অন্তৰালত [a, b] সতত হ্ৰাসমান যদি $f'(x) < 0, \forall x \in [a,b]$.
- এটা ফলন এটা অন্তৰালত বৰ্ধমান হ'ব পাৰে আৰু আন এটা অন্তৰালত হ্ৰাসমান হ'ব পাৰে।
- $\frac{dy}{dx}$ এ x সাপেক্ষে y-ৰ পৰিৱৰ্তনৰ হাৰ বুজায়।
- $f'(x) = 0$ সমীকৰণ সমাধান কৰি পোৱা x-ৰ মানবোৰক অচল (Stationary) বা ক্ৰান্তিক (Critical) বিন্দু বোলে। এই বিন্দুবোৰত ফলনটোৰ স্থানীয় গৰিষ্ঠ বা লঘিষ্ঠ মান থাকে যদি যথাক্ৰমে $f''(x) < 0$ or $f''(x) > 0$.

- ρ কার্টেজীয় বক্ৰৰ বাবে বক্ৰতা ব্যাসার্ধ হ'ল,

$$\rho = \frac{\left\{1+\left(\frac{dy}{dx}\right)^2\right\}^{\frac{3}{2}}}{\frac{d^2y}{dx^2}}$$

- ρ ধ্ৰুৱীয় ৰূপত বক্ৰতা ব্যাসার্ধ হ'ল,

$$\rho = \frac{\left\{r^2+\left(\frac{dr}{d\theta}\right)^2\right\}^{\frac{3}{2}}}{r^2 - r\frac{d^2r}{d\theta^2} + 2\left(\frac{dr}{d\theta}\right)^2}$$

- বক্ৰতা হ'ল বক্ৰতা ব্যাসার্ধৰ প্ৰতিক্ৰমী।
- $y = f(x)$ বক্ৰৰ এটা বিন্দুত $\frac{dy}{dx}$ এ সেই বিন্দুত টনা স্পৰ্শকৰ প্ৰৱণতা বুজায়।
- যদি $\frac{dy}{dx} > 0$, স্পৰ্শকডালে x অক্ষৰ লগত সূক্ষ্ম কোণ কৰে।
- যদি $\frac{dy}{dx} < 0$, স্পৰ্শকডালে x অক্ষৰ লগত স্থূল কোণ কৰে।
- যদি $\frac{dy}{dx} = 0$, স্পৰ্শকডাল x অক্ষৰ সমান্তৰাল।
- যদি $\frac{dy}{dx} = 0$, স্পৰ্শকডাল y অক্ষৰ সমান্তৰাল।
- $y = f(x)$ বক্ৰৰ (x_0, y_0) বিন্দুত টনা স্পৰ্শকৰ সমীকৰণ হ'ল,

$$y - y_0 = \left[\frac{dy}{dx}\right]_{(x_0,y_0)} (x - x_0)$$

- $y = f(x)$ বক্ৰৰ (x_0, y_0) বিন্দুত টনা অভিলম্বৰ সমীকৰণ হ'ল,

$$y - y_0 = \frac{-1}{\left[\frac{dy}{dx}\right]_{(x_0,y_0)}} (x - x_0)$$

৯.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ $f(x) = x^3 - 3x^2 + 3x + 2$

$\Rightarrow f'(x) = 3x^2 - 6x + 3$

$= 3(x^2-2x+1)$

$= 3(x-1)^2$

$\geq 0, \ \forall x \in R$

$\therefore$ x-ৰ সকলো মানৰ বাবে f(x) বৰ্ধমান।

২নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, $f(x) = \log(1+x) - \frac{x}{1+x}$

$$\Rightarrow f'(x) = \frac{1}{1+x} - \frac{(1+x).1 - x.1}{(1+x)^2}$$

$$= \frac{1+x-1}{(1+x)^2}$$

$$= \frac{x}{(1+x)^2} > 0 \text{ বাবে } x > 0$$

$\Rightarrow$ x > 0-ৰ বাবে f(x) এটা বৰ্ধমান ফলন। আকৌ, f(0) = 0

$\therefore$ f(x) > 0 বাবে x > 0

$$\therefore \log(1+x) - \frac{x}{1+x} > 0$$

$$\Rightarrow \frac{x}{1+x} < \log(1+x) \qquad \text{... ... ... (1)}$$

আকৌ, ধৰা হ'ল, g(x) = x – log(1+x)

$$\Rightarrow g'(x) = 1 - \frac{1}{1+x}$$

$$= \frac{1+x-1}{1+x}$$

$$= \frac{x}{1+x} > 0 \text{ বাবে } x > 0$$

$\Rightarrow$ x > 0-ৰ বাবে g(x) এটা বৰ্ধমান ফলন। আকৌ, g(0) = 0

$\Rightarrow$ g(x) > 0 বাবে x > 0

$\Rightarrow$ log (1+x) <x ... ... (2)

(1) আৰু (2) লগ লগাই আমি পাওঁ, $\frac{x}{1+x} < \log(1+x) < x; \text{ if } x > 0$

b) ধৰা হ'ল, $f(x) = \left\{x - \frac{x^2}{2(1+x)}\right\} - \log(1+x)$

$$\therefore f'(x) = 1 - \frac{(1+x).2x - x^2.1}{2(1+x)^2} - \frac{1}{1+x}$$

$$= 1 - \frac{2x + x^2}{2(1+x)^2} - \frac{1}{1+x}$$

$$= \frac{2(1+x)^2 - 2x - x^2 - 2(1+x)}{2(1+x)^2}$$

$$= \frac{2 + 4x + 2x^2 - 2x - x^2 - 2 - 2x}{2(1+x)^2}$$

$$= \frac{x^2}{2(1+x)^2} > 0 \text{ for } x > 0$$

$\Rightarrow$ x > 0-ৰ বাবে f(x) এটা বৰ্ধমান ফলন।

আকৌ, f(0) = 0

$\therefore$ x > 0-ৰ বাবে f(x) > 0

$$\Rightarrow x - \frac{x^2}{2(1+x)} > \log(1+x)$$

৩নং প্ৰশ্নৰ উত্তৰ ঃ a) $f(x) = 2x^3 - 9x^2 - 168x + 36$

$\Rightarrow f'(x) = 6x^2 - 18x - 168$

$= 6(x^2 - 3x - 28)$

$= 6(x-7)(x+4)$

এতিয়া, $f'(x) > 0$

$\Rightarrow 6(x-7)(x+4) > 0$

$\Rightarrow$ (x – 7 > 0 আৰু x + 4 > 0) বা (x – 7 < 0 আৰু x + 4 < 0)

$\Rightarrow$ (x > 7 আৰু x > –4) বা (x < 7 আৰু x < –4)

$\Rightarrow$ x > 7 বা x < – 4

$\therefore \ ]-\infty,-4[\cup]7,\infty[$ অন্তৰালত ফলনটো সতত বৰ্ধমান।

আকৌ, $f'(x) < 0$

$\Rightarrow 6\,(x-7)(x+4) < 0$

$\Rightarrow$ (x – 7 > 0 আৰু x + 4 < 0) বা (x –7 < 0 আৰু x + 4 > 0)

$\Rightarrow$ (x > 7 আৰু x < –4) বা (x < 7 আৰু x > –4)

$\Rightarrow$ x < 7 আৰু x > –4

$\Rightarrow$ –4 < x < 7

$\therefore\ ]-4,7[$ অন্তৰালত ফলনটো হ্ৰাসমান।

b) $f(x) = \frac{\log x}{x}; x > 0$

$$\Rightarrow f'(x) = \frac{\frac{1}{x}.x - \log x.1}{x^2}$$

$$= \frac{1-\log x}{x^2}$$

এতিয়া, $f'(x) \geq 0 \Rightarrow \frac{1-\log x}{x^2} \geq 0$

$$\Rightarrow 1 \geq \log x$$

$$\Rightarrow 0 < x \leq e$$

$\therefore\ ]0,e[$ অন্তৰালত $f(x)$ বৰ্ধমান।

আকৌ, $f'(x) \leq 0 \Rightarrow \log x \geq 1; x > 0$

$$\Rightarrow x \geq e\ ;\ x > 0$$

$\therefore\ [e,\infty[$ অন্তৰালত $f(x)$ হ্ৰাসমান।

c) $f(x) = 2x^3 - 15x^2 - 84x + 7$

$\therefore\ f'(x) = 6x^2 - 30x - 84$

$= 6(x^2-5x-14)$

$= 6(x-7)(x+2)$

এতিয়া, $f'(x) > 0$

$\Rightarrow (x-7)(x+2) > 0$

$\Rightarrow x < -2$ or $x > 7$

$\therefore\ ]-\infty,-2[\cup]7,\infty[$ অন্তৰত $f(x)$ এটা বৰ্ধমান ফলন।

আকৌ, $f'(x) < 0 \Rightarrow (x-7)(x-2) < 0$

$$\Rightarrow -2 < x < 7$$

$\therefore\ ]-2,7[$ অন্তৰালত $f(x)$ এটা হ্ৰাসমান ফলন।

৪নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, V = গোলকটোৰ আয়তন, r = গোলকটোৰ ব্যাসাৰ্ধ

$\therefore V = \frac{4}{3}\pi r^3$, $\frac{dV}{dr}$ উলিয়াব লাগে।

$$\frac{dV}{dr} = \frac{d}{dr}\left(\frac{4}{3}\pi r^3\right)$$

$$= \frac{4}{3}\pi.3r^2$$

$$= 4\pi r^1$$

৫নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, যিকোনো সময় tত, গোলকীয় বেলুনৰ ব্যাসার্ধ = r, গোলকীয় বেলুনৰ আয়তন = V, গোলকীয় বেলুনৰ পৃষ্ঠকালি = S

$\therefore V = \frac{4}{3}\pi r^3$ ... ... (1)

$S = 4\pi r^2$ ... ... (2)

প্ৰশ্নমতে, $\frac{dV}{dt} = 20\,cm^3/sec$

$\therefore \frac{d}{dt}\left(\frac{4}{3}\pi r^3\right) = 20$, (1)-ৰ পৰা

$\Rightarrow \frac{4}{3}\pi.3r^2\frac{dr}{dt} = 20$

$\Rightarrow \frac{dr}{dt} = \frac{5}{\pi r^2}$

(2)-ৰ পৰা $\frac{dS}{dt} = \frac{d}{dt}\left(4\pi r^2\right)$

$= 4\pi.2r\frac{dr}{dt}$

$= 8\pi r.\frac{5}{\pi r^2}$

$= \frac{40}{r}$

যেতিয়া ব্যাসার্ধ 4 cm, $\frac{dS}{dt} = 10cm^2/sec$

৬নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, যিকোনো সময় tত,চক্ৰীয় ঢৌৰ ব্যাসাধ = r, আবৃত অংশৰ কালি = A

$\therefore A = \pi r^2$ ... ... (i)

(i)ক t সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$\frac{dA}{dt} = \pi.2r\frac{dr}{dt}$

$= 2\pi r(3.5)cm^2/sec\left[\because \frac{dr}{dt} = 3.5\,cm/sec\right]$

$= 7\pi r\ cm^2/sec$

যেতিয়া r = 7.5 cm, $\frac{dA}{dt} = 7\pi(7.5)\,cm^2/sec = 52.5\ \pi\ cm^2/sec$

৭নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, যিকোনো সময় tত, লম্ব বৃত্তীয় শঙ্কুৰ ব্যাসার্ধ = r, লম্ব বৃত্তীয় শঙ্কুৰ উচ্চতা = h, লম্ব বৃত্তীয় শঙ্কুৰ আয়তন = V

$$\therefore V = \frac{1}{3}\pi r^2 h \qquad \ldots\ \ldots\ \ldots \text{ (i)}$$

এতিয়া, $h = \frac{1}{6}r$ (দিয়া আছে)

$\therefore$ (i)-ৰ পৰা $V = \frac{1}{3}\pi(6h)^2 h$

$$\Rightarrow V = 12\pi h^3 \qquad \ldots\ \ldots\ \ldots \text{ (ii)}$$

(ii)ক t সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{dV}{dt} = 12\pi.3h^2\frac{dh}{dt}$$

$$\Rightarrow 9 = 36\pi h^2\frac{dh}{dt} \quad \left[\because \frac{dV}{dt} = 9\ cm^3/\sec \text{ দিয়া আছে}\right]$$

$$\Rightarrow \frac{dh}{dt} = \frac{1}{4\pi h^2}$$

যেতিয়া h = 3, আমি পাওঁ,

$$\frac{dh}{dt} = \frac{1}{4\pi.3^2} = \frac{1}{36\pi}$$

গতিকে, উচ্চতা 3 cm হ'লে বালিৰ শঙ্কুটোৰ উচ্চতা ছেকেণ্ডত $\frac{1}{36\pi}$ cm কৈ বাঢ়ে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y^2 = 8x$ ... ... (1)

প্ৰশ্নমতে, $\frac{dx}{dt} = \frac{dy}{dt}$ ... ... (2)

(1)-ৰ পৰা $\Rightarrow \frac{d}{dt}(y^2) = \frac{d}{dt}(8x)$

$$\Rightarrow 2y\frac{dy}{dt} = 8\frac{dx}{dt}$$

$$\Rightarrow 2y\frac{dx}{dt} = 8\frac{dx}{dt},\ (2)\text{-ৰ পৰা}$$

$$\Rightarrow 2y = 8$$

$$\Rightarrow y = 4$$

(1)ত y = 4 বহুৱাই আমি পাওঁ,


$$16 = 8x \Rightarrow x = 2$$

$\therefore$ উলিয়াবলগীয়া বিন্দুটো (2, 4).

৯নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, AB লেম্প প'ষ্ট আৰু B হ'ল লাইটটোৰ অৱস্থান। ধৰা হ'ল, যিকোনো মুহূৰ্তত মানুহজনৰ অৱস্থান CD, এই অৱস্থানত, ধৰা হ'ল, মানুহজন আৰু দণ্ডডালৰ মাজৰ দূৰত্ব x আৰু ছাঁৰ দৈর্ঘ্য y.

$\therefore$ AB = 6, CD = 2, AC = x, CL = y

ABL আৰু CDL সদৃশ ত্ৰিভুজৰ পৰা, আমি পালোঁ,



$$\frac{AB}{CD} = \frac{AL}{CL}$$

$$\Rightarrow \frac{6}{2} = \frac{x+y}{y}$$

$$\Rightarrow 3y = x + y$$

$$\Rightarrow 2y = x$$

$$\therefore \frac{d}{dt}(2y) = \frac{d}{dt}(x)$$

$$\Rightarrow 2\frac{dy}{dt} = \frac{dx}{dt}$$

এতিয়া, $\frac{dx}{dt} = 6\,km/h$ (দিয়া আছে)

$$\therefore 2\frac{dy}{dt} = 6\ km/h$$

$$\Rightarrow \frac{dy}{dt} = 3\ km/h$$

$\therefore$ ছাঁৰ দৈর্ঘ্য ঘণ্টাত 3kmকৈ বাঢ়ে। আকৌ, লেম্প প'ষ্টৰ পৰা ছাঁৰ টুপৰ দূৰত্ব = x + y

$\therefore$ প'ষ্টটোৰ পৰা ছাঁ টুপ আঁতৰি অহাৰ হাৰ $= \frac{d}{dt}(x+y)$

$$= \frac{dx}{dt} + \frac{dy}{dt}$$

$$= 6\ km/h + 3\ km/h$$

$$= 9\ km/h$$

১০নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, যিকোনো সময় tত, ঘনটোৰ প্ৰত্যেক দাঁতিৰ দৈর্ঘ্য = x, ঘনটোৰ আয়তন = V

$\therefore V = x^3$ ... ... (i)

এতিয়া, $\frac{dx}{dt} = 3\,cm/sec$ (দিয়া আছে) ... ... (ii)

(i)ক t সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{dV}{dt} = 3x^2\frac{dx}{dt}$

$\Rightarrow \frac{dV}{dt} = 9x^2$, (ii)-ৰ সহায়ত

যেতিয়া x = 10cm,

আমি পালোঁ $\frac{dV}{dt} = 9 \times 10^2 \ \text{cm}^3/\text{sec}$

$= 900 \ \text{cm}^2/\text{sec}$

১১নং প্ৰশ্নৰ উত্তৰ ঃ a) ধৰা হ'ল, $f(x) = 2x^2 - 6x + 3$

$\therefore f'(x) = 4x - 6$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $f'(x) = 0$

$\Rightarrow 4x - 6 = 0$

$\Rightarrow x = \frac{3}{2}$

এতিয়া, $f''(x) = \frac{d}{dx}(4x-6)$

$\Rightarrow f''(x) = 4$

$\Rightarrow f''\left(\frac{3}{2}\right) = 4 > 0$

$\therefore x = \frac{3}{2}$ ত ফলনটো লঘিষ্ঠ আৰু লঘিষ্ঠ মান $= f\left(\frac{3}{2}\right)$

$= 2 \times \frac{9}{4} - 6 \times \frac{3}{2} + 3$

$= \frac{9 - 18 + 6}{2}$

$= -\frac{3}{2}$

b) ধৰা হ'ল, $f(x) = x + \frac{1}{x}$

$\therefore f'(x) = 1 - \frac{1}{x^2}$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $f'(x) = 0$

$\Rightarrow 1 - \frac{1}{x^2} = 0$

$\Rightarrow x^2 - 1 = 0$

$\Rightarrow (x+1)(x-1) = 0$

$\Rightarrow x = -1, x = 1$

এতিয়া, $f''(x) = \frac{d}{dx}\left(1-\frac{1}{x^2}\right)$

$= 0 - \frac{-2}{x^3}$

$= \frac{2}{x^3}$

$\therefore f''(-1) = -2 < 0$

$\Rightarrow$ x = –1ত ফলনটো গৰিষ্ঠ আৰু গৰিষ্ঠ মান, $f(-1) = -1+\frac{1}{-1} = -2.$

আকৌ, $f''(1) = 2 > 0$

$\therefore$ x = 1ত ফলনটো লঘিষ্ঠ আৰু লঘিষ্ঠ মান, f(1) = 1 + 1 = 2

c) ধৰা হ'ল, $f(x) = 4x^3 - 15x^2 + 12x - 1$

$\Rightarrow f'(x) = 12x^2 - 30x + 12$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $f'(x) = 0$

$\Rightarrow 12x^2 - 30x + 12 = 0$

$\Rightarrow 6(2x^2-5x+2) = 0$

$\Rightarrow (2x-1)(x-2) = 0$

$\Rightarrow x = \frac{1}{2}, x = 2$

এতিয়া, $f''(x) = \frac{d}{dx}\left(12x^2 - 30x + 12\right)$

$= 24x - 30$

$\therefore f''\left(\frac{1}{2}\right) = 12 - 30$

$= -18 < 0$

$\Rightarrow x = \frac{1}{2}$ত f(x) গৰিষ্ঠ আৰু গৰিষ্ঠ মান $= f\left(\frac{1}{2}\right)$

$= 4\times\frac{1}{8} - 15\times\frac{1}{4} + 12\times\frac{1}{2} - 1$

$= \frac{1}{2} - \frac{15}{4} + 5$

$= \frac{2-15+20}{4}$

$= \frac{7}{4}$

আকৌ, $f''(2) = 24 \times 2 - 30$

$= 18 > 0$

$\Rightarrow$ x = 2ত f(x) গৰিষ্ঠ আৰু গৰিষ্ঠ মান= f(2)

$= 4 \times 8 - 15 \times 4 + 12 \times 2 - 1$

$= 32 - 60 + 24 - 1$

$= 56 - 61$

$= -5$

১২নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, $y = x^x$

$\therefore \log y = \log x^x$

$\Rightarrow \log y = x \log x$

$$\therefore \frac{d}{dx}(\log y) = \frac{d}{dx}(x \log x)$$

$$\Rightarrow \frac{1}{y}.\frac{dy}{dx} = x.\frac{1}{x} + 1.\log x$$

$$\Rightarrow \frac{dy}{dx} = y(1 + \log x) \qquad \ldots\ \ldots\ \ldots\ (1)$$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dy}{dx} = 0$

$\Rightarrow y(1+\log x) = 0$

$\Rightarrow \log x = -1$

$$\Rightarrow x = e^{-1} = \frac{1}{e}$$

এতিয়া, $\frac{d^2y}{dx^2} = \frac{d}{dx}\{y(1 + \log x)\}$

$$= \frac{dy}{dx}.(1 + \log x) + y.\frac{1}{x}$$

$= y(1+\log x)^2 + \frac{y}{x}$, (1)-ৰ পৰা

যেতিয়া $x = \frac{1}{e}$,

$$\frac{d^2y}{dx^2} = \left(\frac{1}{e}\right)^{\frac{1}{e}}(1-1)^2 + \left(\frac{1}{e}\right)^{\frac{1}{e}}.e$$

$$= e\left(\frac{1}{e}\right)^{\frac{1}{e}} > 0$$

$x = \frac{1}{e}$ ত ফলনটো লঘিষ্ঠ আৰু ফলনটোৰ লঘিষ্ঠ মান, $\left(\frac{1}{e}\right)^{\frac{1}{e}}$.

১৩নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, $f(x) = \sin x(1+\cos x)$

$\therefore f'(x) = \cos x(1+\cos x) + \sin x(-\sin x)$

$= \cos x + \cos^2 x - \sin^2 x$

$= \cos x + \cos 2x$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $f'(x) = 0$

$\Rightarrow \cos x + \cos 2x = 0$

$\Rightarrow \cos 2x = -\cos x$

$\Rightarrow \cos 2x = \cos(\pi - x)$

$\Rightarrow 2x = \pi - x$

$\Rightarrow x = \frac{\pi}{3}$

$f''(x) = -\sin x - 2\sin 2x$

$\therefore f''\left(\frac{\pi}{3}\right) = -\sin\frac{\pi}{3} - 2\sin\frac{2\pi}{3} < 0$

$\therefore$ ফলনটোৰ গৰিষ্ঠ মান $x = \frac{\pi}{3}$ বিন্দুত আছে।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, x আৰু y দুটা সংখ্যা।

প্ৰশ্নমতে, $x + y = 20$

$\Rightarrow y = 20 - x$ ... ... (1)

ধৰা হ'ল, সংখ্যা দুটাৰ পূৰণফল P

$\therefore P = xy$

$\Rightarrow P = x(20-x)$, (1)-ৰ সহায়ত

$\Rightarrow P = 20x - x^2$

$\therefore \frac{dP}{dx} = 20 - 2x$

P-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dP}{dx} = 0$

$\Rightarrow 20 - 2x = 0$

$\Rightarrow x = 10$

এতিয়া, $\frac{d^2P}{dx^2} = \frac{d}{dx}(20 - 2x)$

$= -2 < 0$


$\therefore$ যেতিয়া x = 10, P গৰিষ্ঠ।

আকৌ, x = 10, হ'লে, y = 10

$\therefore$ সংখ্যা দুটা হ'ল 10 আৰু 10.

১৫নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, আয়তক্ষেত্ৰটো ABCD আৰু DEC অৰ্ধবৃত্ত আৰু ইয়াৰ ব্যাস DC. ধৰা হ'ল, DC = 2x

AD = y



$\therefore$ চিত্ৰটোৰ পৰিসীমা = $2x + 2y + \pi x$

$\therefore$ $2x + 2y + \pi x = 20$

$\Rightarrow y = 10 - x - \frac{\pi}{2}x$ ... ... (1)

ধৰা হ'ল, চিত্ৰটোৰ কালি A.

$\therefore A = 2xy + \frac{1}{2}\pi x^2$

$= 2x\left[10 - x - \frac{\pi}{2}x\right] + \frac{1}{2}\pi x^2$, (1)-ৰ পৰা

$= 20x - 2x^2 - 2.\frac{\pi}{2}x^2 + \frac{1}{2}\pi x^2$

$= 20x - 2x^2 - \frac{\pi}{2}x^2$

$\therefore \frac{dA}{dx} = 20 - 4x - \pi x$ ... ... (2)

Aৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dA}{dx} = 0$

$\Rightarrow 20 - 4x - \pi x = 0$

$\Rightarrow (4+\pi)x = 20$

$\Rightarrow x = \frac{20}{4+\pi}$

(2)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{d^2A}{dx^2} = -4 - \pi < 0$

$\therefore$ যেতিয়া $x = \frac{20}{4+\pi}$ কালি গৰিষ্ঠ।

$\therefore$ আয়ত ক্ষেত্ৰটোৰ এটা বাহু $2x = \frac{40}{4+\pi}$

আয়ত ক্ষেত্ৰটোৰ আনটো বাহু = y

$$= 10 - \frac{20}{4+\pi} - \frac{\pi}{2}.\frac{20}{4+\pi}$$

$$= 10 - \frac{20}{4+\pi} - \frac{10\pi}{4+\pi}$$


$$= \frac{40+10\pi-20-10\pi}{4+\pi}$$

$$= \frac{20}{4+\pi}$$

১৬নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, শঙ্কুটো ABC, ইয়াৰ ভূমি BC আৰু শীৰ্ষ বিন্দু A.

ধৰা হ'ল, ইয়াৰ উচ্চতা AO. ধৰা হ'ল, $\angle OAC = \theta$

ধৰা হ'ল, হেলনীয়া (Slant) উচ্চতা AC.



শঙ্কুটোৰ ব্যাসার্ধ = OC = $l \sin\theta$

শঙ্কুটোৰ উচ্চতা = OA = $l \cos\theta$

$\therefore$ আয়তন $V = \frac{1}{3}\pi(l\sin\theta)^2.l\cos\theta$

$$= \frac{\pi l^3}{3}\sin^2\theta\cos\theta$$

$$\therefore \frac{dV}{d\theta} = \frac{\pi l^3}{3}\left[2\sin\theta\cos^2\theta - \sin^3\theta\right]$$

$$= \frac{\pi l^3}{3}\sin\theta\left(2\cos^2\theta - \sin^2\theta\right) \quad \text{... ... ... (2)}$$

গৰিষ্ঠ আয়তনৰ বাবে, $\frac{dV}{d\theta} = 0$

$$\Rightarrow \frac{\pi l^3}{3}\sin\theta\left(2\cos^2\theta - \sin^2\theta\right) = 0$$

$$\Rightarrow 2\cos^2\theta - \sin^2\theta = 0 \quad [\because \sin\theta \neq 0 \text{ যিহেতু } \theta > 0]$$

$$\Rightarrow 2 - \tan^2\theta = 0$$

$$\Rightarrow \tan^2\theta = 2$$

$$\Rightarrow \tan\theta = \sqrt{2} \quad [\because \theta > 0 \quad \therefore \tan\theta > 0]$$

$$\Rightarrow \theta = \tan^{-1}\sqrt{2}$$

(2)ক θ সাপেক্ষে অৱকলন কৰি, আমি পাওঁ,

$$\frac{d^2V}{d\theta^2} = \frac{\pi l^3}{3}\left[\sin\theta\left(-4\cos\theta\sin\theta - 2\sin\theta\cos\theta\right) + \cos\theta\left(2\cos^2\theta - \sin^2\theta\right)\right]$$

$$= \frac{\pi l^3}{3}\left[\cos\theta\left\{-4\sin^2\theta - 2\sin^2\theta + 2\cos^2\theta - \sin^2\theta\right\}\right]$$

$$= \frac{\pi l^3}{3}\cos\theta\left(-7\sin^2\theta + 2 - 2\sin^2\theta\right)$$

$$= \frac{\pi l^3}{3}\cos\theta\left(2 - 9\sin^2\theta\right)$$

যেতিয়া $\theta = \tan^{-1}\sqrt{2}$, আমি পালোঁ,

$$\frac{d^2V}{d\theta^2} = \frac{\pi l^3}{3}.\frac{1}{\sqrt{3}}\left(2 - 9.\frac{2}{3}\right) \qquad \left[\because \tan\theta = \sqrt{2} \;\; \therefore \sin\theta = \sqrt{\frac{2}{3}}, \cos\theta = \frac{1}{\sqrt{3}}\right]$$

$$= -\frac{4\pi l^3}{3\sqrt{3}} < 0$$

$\therefore$ যেতিয়া $\theta = \tan^{-1}\sqrt{2}$, V গৰিষ্ঠ।

১৭নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, ABCD আয়ত ক্ষেত্ৰটোৰ প্ৰদত্ত পৰিসীমা 'a'.

ধৰা হ'ল, AB = x

AD = y

$\therefore$ 2x + 2y = a

$$\Rightarrow y = \frac{1}{2}(a - 2x) \qquad \text{... ... ... (i)}$$

ধৰা হ'ল, আয়ত ক্ষেত্ৰটোৰ কালি A

$\therefore$ A = xy

$\Rightarrow A = \frac{1}{2}\left(ax - 2x^2\right)$ (i)-ৰ সহায়ত

$$\therefore \frac{dA}{dx} = \frac{1}{2}(a - 4x) \qquad \text{... ... ... (ii)}$$

A-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dA}{dx} = 0$

$$\Rightarrow \frac{1}{2}(a - 4x) = 0$$

$$\Rightarrow x = \frac{a}{4}$$

(ii)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{d^2A}{dx^2} = \frac{1}{2}(0 - 4)$

$= -2 < 0$

$\therefore x = \frac{a}{4}$ হ'লে, A গৰিষ্ঠ।

আকৌ, $x = \frac{a}{4}$ হ'লে, $y = \frac{1}{2}\left(a - 2.\frac{a}{4}\right) = \frac{a}{4}$


$\therefore x = y = \frac{a}{4}$ হ'লে, A গৰিষ্ঠ।

প্ৰদত্ত পৰিসীমাৰ আয়ত ক্ষেত্ৰবোৰৰ ভিতৰত বৰ্গক্ষেত্ৰৰ কালি গৰিষ্ঠ।

১৮নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, প্ৰতিটো কোণৰ প্ৰত্যেক বাহুৰ পৰা কাটি লগীয়া অংশ x cm.

$\therefore$ বাকচটোৰ ভূমিৰ মাত্ৰা (18–2x)cm আৰু (18–2x)cm.

বাকচটোৰ উচ্চতা = x cm.



ধৰা হ'ল, বাকচটোৰ আয়তন = V

$\therefore V = x(18–2x)(18–2x);\ x > 0,\ x < 9.$

$\Rightarrow V = 324x – 7x – 72x^2 + 4x^3$

$\therefore \frac{dV}{dx} = 324 – 144x + 12x^2$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dV}{dx} = 0$

$\Rightarrow 324 – 144x + 12x^2 = 0$

$\Rightarrow 12(x^2–12x+27) = 0$

$\Rightarrow x^2 – 12x + 27 = 0$

$\Rightarrow (x–3)(x–9) = 0$

$\Rightarrow x = 3 \qquad [\because x < 9]$

এতিয়া, $\frac{d^2V}{dx^2} = \frac{d}{dx}(324 – 144x + 12x^2)$

$= –144 + 24x$

যেতিয়া x = 3, আমি পাওঁ, $\frac{d^2V}{dx^2} = –144 + 72$

$= –72 < 0$

$\therefore$ যেতিয়া x = 3, V গৰিষ্ঠ।

$\therefore$ গৰিষ্ঠ আয়তন পাবলৈ বাকচটোৰ প্ৰত্যেক কোণৰ পৰা 3cm দৈৰ্ঘ্যৰ বৰ্গ কাটিব লাগিব।

১৯নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, R ব্যাসাৰ্ধৰ গোলকটোৰ কেন্দ্ৰ O.

ধৰা হ'ল, গোলকটোত অন্তৰ্লিখিত শঙ্কুটো হ'ল ABC.

ধৰা হ'ল, শঙ্কুটোৰ উচ্চতা R + x আৰু শঙ্কুৰ ভূমিৰ ব্যাসাৰ্ধ y.

$\therefore\ x^2 + y^2 = R^2$

$\Rightarrow\ y^2 = R^2 - x^2$ ... ... (1)

ধৰা হ'ল, শঙ্কু আৰু গোলকৰ আয়তন ক্ৰমে V আৰু V_1


$\therefore\ V = \frac{1}{3}\pi y^2(R + x)$ ... ... (2)

$V_1 = \frac{4}{3}\pi R^3$ ... ... (3)

(2)-ৰ পৰা $\Rightarrow V = \frac{1}{3}\pi(R^2 - x^2)(R + x)$, (1)-ৰ সহায়ত

$$\Rightarrow V = \frac{1}{3}\pi(R^3 + R^2x - Rx^2 - x^3)$$

$$\therefore \frac{dV}{dx} = \frac{1}{3}\pi(R^2 - 2Rx - 3x^2)$$



V-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$$\frac{dV}{dx} = 0$$

$\Rightarrow R^2 - 2Rx - 3x^2 = 0$

$\Rightarrow 3x^2 + 2Rx - R^2 = 0$

$\Rightarrow (3x - R)(x + R) = 0$

$\Rightarrow 3x - R = 0\ \ [\because x + R \neq 0]$

$$\Rightarrow x = \frac{R}{3}$$

এতিয়া, $\frac{d^2V}{dx^2} = \frac{d}{dx}\left[\frac{1}{3}\pi(R^2 - 2Rx - 3x^2)\right]$

$$= \frac{1}{3}\pi(-2R - 6x)$$

$x = \frac{R}{3}$ হ'লে, $\frac{d^2V}{dx^2} = \frac{1}{3}\pi\left(-2R - 6.\frac{R}{3}\right)$

$$= -\frac{4}{3}\pi R < 0$$

$\therefore\ x = \frac{R}{3}$ হ'লে,

V গৰিষ্ঠ আৰু গৰিষ্ঠ শঙ্কুটোৰ আয়তন = $\frac{1}{3}\pi\left(R^2-\frac{R^2}{9}\right)\left(R+\frac{R}{3}\right)$

$= \frac{1}{3}\pi.\frac{8R^2}{9}.\frac{4R}{3}$

$= \frac{8}{27}\left(\frac{4}{3}\pi R^3\right)$

$= \frac{8}{27}V_1 = \frac{8}{27}$ (গোলকটোৰ আয়তন)

২০নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত উপবৃত্তটো $\frac{x^2}{a^2}+\frac{y^2}{b^2}=1$ ... ... (1)

ধৰা হ'ল, উপবৃত্তটোত অন্তৰ্লিখিত আয়তক্ষেত্ৰটো ABCD.

ধৰা হ'ল, AB = 2x, BC = 2y.


ধৰা হ'ল, আয়তক্ষেত্ৰটোৰ কালি A.

$\therefore$ A = (2x)(2y)

= 4xy

$= 4\frac{b}{a}x\sqrt{a^2-x^2}$ $\left[\because \frac{y^2}{b^2}=1-\frac{x^2}{a^2}\right.$
$\left.\therefore y^2=\frac{b^2}{a^2}\left(a^2-x^2\right)\right]$

$\because$ A > 0 $\therefore$ A গৰিষ্ঠ $\Rightarrow$ A^2 গৰিষ্ঠ।



ধৰা হ'ল, $u = A^2$

$\Rightarrow u = \frac{16b^2}{a^2}x^2\left(a^2-x^2\right)$

$\Rightarrow u = \frac{16b^2}{a^2}\left(a^2x^2-x^4\right)$

$\therefore \frac{du}{dx}=\frac{16b^2}{a^2}\left(2a^2x-4x^3\right)$

u-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$\frac{du}{dx}=0$

$\Rightarrow 2a^2x - 4x^3 = 0$

$\Rightarrow 2x(a^2-2x^2) = 0$

$\Rightarrow 2x^2 = a^2$ $[\because x > 0]$

$\Rightarrow x = \frac{a}{\sqrt{2}}$

এতিয়া $\frac{d^2u}{dx^2} = \frac{16b^2}{a^2}\left(2a^2 - 12x^2\right)$

যেতিয়া $x = \frac{a}{\sqrt{2}}$, $\frac{d^2u}{dx^2} = \frac{16b^2}{a^2}\left(2a^2 - 12.\frac{a^2}{2}\right)$

$= \frac{16b^2}{a^2}\left(-4a^2\right)$

$= -64b^2 < 0$

$\therefore$ যেতিয়া $x = \frac{a}{\sqrt{2}}$, u গৰিষ্ঠ।

অৰ্থাৎ, যেতিয়া $x = \frac{a}{\sqrt{2}}$, A গৰিষ্ঠ।

$x = \frac{a}{\sqrt{2}} \Rightarrow y = \frac{b}{a}\sqrt{a^2 - \frac{a^2}{2}} = \frac{b}{\sqrt{2}}$

$\therefore$ সবাতোকৈ ডাঙৰ আয়তক্ষেত্ৰটোৰ কালি = $4xy = 4\frac{a}{\sqrt{2}}.\frac{b}{\sqrt{2}} = 2ab$

২১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত বক্ৰটো হ'ল, $a^2y = x^3 - a^3$ ... ... (1)

x সাপেক্ষে অৱকলন কৰি, আমি পাওঁ, $a^2\frac{dy}{dx} = 3x^2$

$\Rightarrow \frac{dy}{dx} = \frac{3x^2}{a^2}$

আকৌ, x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{d^2y}{dx^2} = \frac{6x}{a^2}$

$$\because \rho = \frac{\left[1 + \left(\frac{dy}{dx}\right)^2\right]^{3/2}}{\frac{d^2y}{dx^2}}$$

$$= \frac{\left[1 + \left(\frac{3x^2}{a^2}\right)^2\right]^{3/2}}{\frac{6x}{a^2}}$$

$$= \frac{\left(a^4 + 9x^4\right)^{3/2}}{6a^4x}$$

২২নং প্ৰশ্নৰ উত্তৰ ঃ a) $s = 4a \sin\psi$

$$\therefore \frac{ds}{d\psi} = 4a\cos\psi$$

$$\Rightarrow \rho = 4a\cos\psi$$

b) $s = c \log \sec\psi$

$$\Rightarrow \frac{ds}{d\psi} = c.\frac{1}{\sec\psi}.\sec\psi\tan\psi$$

